সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩২ বছৰ, ১৫ সংখ্যা, ২৮ চ'ত, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 15 Date of Publication- 11 April 2026 Rs. 10.00/-



সমূহ অসমবাসী ৰাইজক ৰঙিলী বাৰ্ত্তাৰ পৰিয়ালবৰ্গৰ ফালৰ পৰা ৰঙালী বিহু তথা অসমীয়া নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰিলো...

ড° উদ্দীপ্ত নয়ন মেধি
মুখ্য সম্পাদক

## ভুৱা সাংবাদিকসহ তিনিজনক গ্ৰেপ্তাৰ গড়চুক আৰক্ষীৰ




ৰঙিলী বাৰ্ত্তাসেৱা- সঘনাই ব্যৱসায়ীক ধন দাবীৰে ব্লেকমেইলিং কৰাৰ অভিযোগত গড়চুক আৰক্ষীয়ে ভুৱা সাংবাদিকসহ এটা সংগঠনৰ দুই নেতাক গ্ৰেপ্তাৰ কৰে। গড়চুক আৰক্ষীৰ জালত পৰা ভুৱা প'ৰ্টেলৰ সাংবাদিকজন হৈছে নিউজ ফণ্ট-২৪ প'ৰ্টেলৰ ভুৱা সাংবাদিক দীপক সিন্‌হা, অসম উন্নয়ন পৰিষদৰ ৰাজ্যিক সভাপতি মৌচম উজীৰ আৰু গুৱাহাটী মহানগৰ জিলা সমিতিৰ সম্পাদক সোণেমণি দাস। আৰক্ষীয়ে বৰাগাঁৱৰ এখন হোটেল ব্যৱসায়ীক দাবী কৰা ধন নিবলৈ অহাত ভুৱা সাংবাদিকসহ সংগঠনটোৰ নেতাদ্বয়ক হাতেলোটে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। আৰক্ষী সূত্ৰই জানিবলৈ দিয়ামতে, ভুৱা সাংবাদিক দীপক সিন্‌হাৰ লগতে সংগঠনটোৰ নেতাদ্বয়ে বৰাগাঁৱৰ শিৱশক্তি নামৰ হোটেলৰ স্বত্বাধিকাৰী প্ৰদীপ কুমাৰ যাদৱক ( তিনিপৃষ্ঠাত চাওক)

## মহানগৰীৰ ৰুদ্ৰাক্ষ মলত অভিযন্তাৰ মৃতদেহ উদ্ধাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ ভঙাগড়ত ৰহস্যজনক অৱস্থাত এজন যুৱকৰ মৃতদেহ উদ্ধাৰ। ৰুদ্ৰাক্ষ মলৰ চতুৰ্থ মহলাত উদ্ধাৰ যুৱকজনৰ মৃতদেহ। ৭ম মহলাৰ পৰা চতুৰ্থ মহলাত সৰি পৰে যুৱকজন। মুৰ্মূষু অৱস্থাত যুৱকজনক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। কিন্তু চিকিৎসাধীন অৱস্থাত মৃত্যুক সাবটি লয় সিদ্ধান্ত দাস নামৰ যুৱকজনে। ( দুই পৃষ্ঠাত চাওক)

## সফলতাৰে পৃথিৱীলৈ উভতিল নাছাৰ ৪ নভোচৰ



ৰঙিলী বাৰ্ত্তাসেৱা- চন্দ্ৰৰ পৰা উভতি আহি সফলতাৰে পৃথিৱীত অৱতৰণ কৰিলে আমেৰিকাৰ মহাকাশ গৱেষণা সংস্থা নাছাৰ ৪ গৰাকী মহাকাশচাৰীয়ে। ১০ দিন মহাকাশত কটোৱাৰ পিছত শনিবাৰে পুৱাৰ ভাগত শচভাৰতীয় সময়গ্ন তেওঁলোকে পৃথিৱীত অৱতৰণ কৰে। দক্ষিণ কেলিফ'ৰ্নিয়াৰ উপকূলত প্ৰশান্ত মহাসাগৰৰ বুকুত নিৰ্বিঘ্নে অৱতৰণ কৰে নাছাৰ কেপছুল। (দহ পৃষ্ঠাত চাওক)

## ৰাজস্থানৰ বালাজী মন্দিৰ দৰ্শন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ পাছতেই ৰাজস্থানৰ বালাজী মহাৰাজ মন্দিৰলৈ গৈ সেৱা লয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ৰাজস্থানত উপস্থিত হোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে মন্দিৰ দৰ্শনৰ পাছত কয়, বালাজী মহাৰাজ আৰু বাবা খাটু শ্যামৰ শ্ৰীচৰণত শতকোটি প্ৰাৰ্থনা জনালোঁ। সকলোৰে জীৱন সুখ, শান্তি আৰু সমৃদ্ধিৰে উপচি পৰক, বাবাৰ আশীৰ্বাদ সদায় আমাৰ ওপৰত থাকক তাৰেই কামনা কৰিলোঁ। আনহাতে মুখ্যমন্ত্ৰী ড° শৰ্মাই শেহতীয়া নিৰ্বাচনৰ ( চাৰিপৃষ্ঠাত চাওক)

## নিজগৃহত উপস্থিত আলফা নেতা অৰুণোদয় দহোটীয়া



ৰঙিলী বাৰ্ত্তাসেৱা- স্বাধীন অসমৰ স্বপ্ন এৰি নিজগৃহত উপস্থিত হয় আলফা (স্বা)ৰ মেজৰ জেনেৰেল অৰুণোদয় দহোটীয়া ওৰফে বিজিত বৰুৱা। দীৰ্ঘদিন অসম আৰক্ষীৰ বাবে মূৰৰ কামোৰণি হৈ থকা দুৰ্ধৰ্ষ আলফা (স্বা)ৰ মেজৰ জেনেৰেলজনে নিজৰ পত্নী আৰু পুত্ৰক লগত লৈ ওপজা ঠাই চাবুৱাৰ নাদুৱা গোহাঁই গাঁৱত উপস্থিত হয়। ইয়াকে লৈ চাবুৱাৰ নাদুৱা গোহাঁই গাঁৱত আনন্দৰ পৰিৱেশ ( তিনিপৃষ্ঠাত চাওক)

# আমেৰিকাৰ ছেম হিউষ্টন বিশ্ববিদ্যালয়ৰ ডিষ্টিংগুইছ প্ৰফেছৰ পদত নিৰ্বাচিত ড° হিৰণ্য কুমাৰ নাথ



ৰঙিলী বাৰ্তাসেৱা-অসমৰ বাবে সুখবৰ। আমেৰিকাৰ ছেম হিউষ্টন বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক মঙলদৈৰ ড° হিৰণ্য কুমাৰ নাথ নিৰ্বাচিত হৈছে বিশ্ববিদ্যালয়খনৰ 'ডিষ্টিংগুইষ্ট প্ৰফেছৰ পদ'ৰ বাবে। উল্লেখ্য যে দৰঙৰ মঙলদৈ নিবাসী ড° হিৰণ্য কুমাৰ নাথে ২০০২ বৰ্ষৰ পৰাই বিশ্ববিখ্যাত বিশ্ববিদ্যালয়খনত অধ্যাপনা কৰি আহিছে। লক্ষণীয় যে ছাত্ৰাৱস্থাৰ পৰাই প্ৰচুৰ মেধাৰ স্বাক্ষৰ বহন কৰি অহা ড° হিৰণ্য কুমাৰ নাথে ১৯৮৫ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যৰ ভিতৰতে পঞ্চম স্থান অৰ্জন কৰি শৈক্ষিক জীৱনৰ প্ৰথমটো সফলতা অৰ্জন কৰিছিল। আনহাতে ১৯৮৭ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাত ৰাজ্যৰ ভিতৰতে শীৰ্ষ স্থান অৰ্জন কৰি পৰৱৰ্তী সময়ত অৰ্থনীতি বিষয় অধ্যয়নৰ বাবে বাছি লৈছিল। শ্ৰীৰাম কলেজৰ পৰা স্নাতক আৰু দিল্লী স্কুল অব ইক'নমিক্সৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লৈ উচ্চ শিক্ষাৰ বাবে ড° হিৰণ্য নাথ আমেৰিকা অভিমুখী হৈছিল। লক্ষণীয় যে সুদীৰ্ঘ সময় প্ৰবাসী হৈ থাকিলেও ড° হিৰণ্য কুমাৰ নাথ শিপাৰ সৈতে সততে সংপৃক্ত হৈ থকা এগৰাকী ব্যক্তি। ব্যক্তিকেন্দ্ৰিক ব্যৱস্থাই গা কৰি উঠাৰ সময়তো বিদেশৰ পৰাই নিজৰ অঞ্চলৰ লোকখিনিক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। আনকি 'গুড নেইবাৰহুড' শীৰ্ষক এক আন্দোলনৰ নেতৃত্ব দি নিজৰ অঞ্চলটোৰ বহুকেইটা দুখীয়া পৰিয়ালৰ গৃহ পৰ্যন্ত নিৰ্মাণৰ ব্যৱস্থা কৰি দিছিল। গাঁৱৰ ডেকাসকলক জড়িত কৰি এই ইতিবাচক কাৰ্যসূচী আগবঢ়াই নিছে ড° হিৰণ্য কুমাৰ নাথে। সময় পালেই অসমলৈ অহা ড° হিৰণ্য কুমাৰ নাথে আপোন গাঁও পিপৰা দোকান-নগাঁৱলৈ আহি কেনেকৈ গাঁওখনক আগবঢ়াই নিব পাৰি তাৰবাবে অন্যান্য কাৰ্যসূচী গ্ৰহণ কৰিছিল। অধ্যাপক ড° হিৰণ্য কুমাৰ নাথৰ এই কৃতিত্বই প্ৰতিগৰাকী অসমীয়াকে গৌৰৱান্বিত কৰিছে।

# মহানগৰীৰ ৰুদ্ৰাক্ষ মলত

সোনকালে ওভতাৰ প্ৰতিশ্ৰুতিৰে সোণাপুৰৰ নিজ বাসভৱনৰ পৰা ওলাই আহিছিল ২৯ বছৰীয়া যুৱ অভিযন্তা সিদ্ধান্ত দাস। কিন্তু মাজনিশা ৰহস্যজনকভাৱে যুৱকজনে মহানগৰীৰ ভঙাগড়ৰ ৰুদ্ৰাক্ষ মলত মৃত্যুক সাবটিবলগীয়া হোৱাক কেন্দ্ৰ কৰি এতিয়া চৌদিশে সৃষ্টি হৈছে চাঞ্চল্যৰ। প্ৰশ্ন উঠিছে- দুৰ্ঘটনা নে পৰিকল্পিতভাৱে হত্যা কৰা হ'ল সিদ্ধান্ত দাসক? যুৱকজনৰ পিতৃ সনাতন দাসে সদৰী কৰা মতে, পুৱা প্ৰায় ১০.৩০ বজাত জালুকবাৰীত এটা কামৰ বাবে যুৱকজন ঘৰৰ পৰা ওলাই আহিছিল। গুৱাহাটী আহি পোৱাৰ পাছতে কামত ব্যস্ত হৈ পৰা যুৱকজনে পুনৰ কিছুসময় পাছত মাতৃলৈ ফোন কৰি সন্ধিয়া বন্ধু এজনৰ জন্মদিনৰ পাৰ্টীলৈ যাব বুলি কৈছিল। সেইমৰ্মে কালি সন্ধিয়া প্ৰায় ৭.৫০ বজাত মাতৃয়ে ফোন কৰাত জন্মদিনৰ পাৰ্টীত সোমোৱা বুলি জনায়। অৱশ্যে এঘণ্টা পাছতে পুনৰ ঘৰলৈ উভতি যাব বুলিও মাতৃক লগতে কয়। কিন্তু প্ৰায় ৯ বজাত পুনৰ মাতৃলৈ ফোন কৰি ঘৰলৈ ওভতাৰ সলনি মালিগাঁৱৰ ৰে'লৰে কলনিত থকা শহুৰেকৰ ঘৰত নিশাটো কটাব বুলি তেওঁ কয়। পুত্ৰৰ অনুপস্থিতিত চিন্তিত মাতৃয়ে পুনৰ নিশা ১০ বজাত ফোন কৰাত তেওঁ শহুৰেকৰ ঘৰ আহি পোৱা বুলি মাকক অৱগত কৰে। এই কথা শুনাৰ পাছতে দুয়ো পিতৃ-মাতৃয়ে নিশ্চিন্ত মনে শুই পৰে। কিন্তু আজি পুৱা প্ৰায় ৭.৪৫ বজাত ভঙাগড় থানাই পিতৃক ফোন কৰি জিএমচিএইচলৈ আহিবলৈ কোৱাৰ পাছতে পিতৃ-মাতৃয়ে হাস্পতালত পুত্ৰৰ নিথৰ দেহ প্ৰত্যক্ষ কৰি শোকত ভাগি পৰে। জানিব পৰা মতে, কালি সন্ধিয়া প্ৰায় ৭.৩০ বজাত সিদ্ধান্ত দাসে পত্নী দীপশিখাসহ ভঙাগড়ৰ ৰুদ্ৰাক্ষ মলৰ ষষ্ঠ মহলাত অৱস্থিত বাৰ কাম ৰেষ্টুৰেণ্টত আয়োজিত এটা পাৰ্টীলৈ আহিছিল। অলপ সময় তাত কটোৱাৰ পাছত নিশা প্ৰায় ১০ বজাত পত্নীক মালিগাঁৱৰ ৰে'লৰে কলনিত থকা শহুৰেকৰ ঘৰত থৈ পুনৰ মললৈ উভতি আহিছিল সিদ্ধান্ত। তাৰ পাছতে মাজনিশা মলখনৰ চতুৰ্থ মহলাৰ এটা ছিৰিত যুৱকজনৰ ৰক্তাক্ত দেহ প্ৰত্যক্ষ কৰি মলখনৰ নিৰাপত্তাৰক্ষীয়ে ভঙাগড় থানাক অৱগত কৰে। আৰক্ষীৰ দলে ঘটনাস্থলীত উপস্থিত হৈ যুৱকজনক লগে লগে জিএমচিএইচৰ জৰুৰীকালীন বিভাগত ভৰ্তি কৰে যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। যুৱকজনৰ পৰিয়ালে জানিবলৈ দিয়া মতে, সিদ্ধান্তৰ পত্নী দীপশিখাৰ কোনো বন্ধুৰ জন্মদিনত অংশ লোৱাৰ বাবে তেওঁলোকে মললৈ গৈছিল। চৰ্চিত খবৰ অনুসৰি মৃতদেহটো চতুৰ্থ মহলাৰ ছিৰিত ৰক্তাক্ত অৱস্থাত উদ্ধাৰ কৰা হৈছিল বুলি জনা গৈছে যদিও একাংশ লোকে পৰিয়ালক অৱগত কৰা মতে, যুৱকজনে চিএঞ্জৰ-বাখৰ কৰি সপ্তম মহলাৰ পৰা নামি আহিছিল। ইয়াৰ পিছতে স্বাভাৱিকতে যুৱকজনৰ মৃত্যুক লৈ যথেষ্ট ৰহস্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, মলখনৰ বাৰ কাম ৰেষ্টুৰেণ্টখন ষষ্ঠ মহলাতহে আছে। কিন্তু একাংশই দাবী কৰা মতে, সপ্তম মহলাৰ পৰা চিএঞ্জৰ-বাখৰ কৰি ৰক্তাক্ত অৱস্থাত যুৱকজন ওলাই আহিছিল। মৃতদেহটোৰ মূৰৰ পিছফালে কটাৰ চিন থকাৰ লগতে পিঠিৰ অংশবিশেষৰ বহু স্থান ক্ষত-বিক্ষত অৱস্থাত আছিল। পোহৰলৈ আহিব। ঘটনাটো সন্দৰ্ভত যুৱকজনৰ পিতৃ সনাতন দাসে পল্টন বজাৰ থানাত এখন এজাহাৰ দাখিল কৰিছে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত কোনোধৰণৰ মন্তব্য এতিয়ালৈকে প্ৰকাশ কৰা নাই যদিও সমগ্ৰ বিষয়টো পৰিকল্পিত হত্যাকাণ্ডৰ কিবা যোগসূত্ৰ জড়িত হৈ আছে নেকি সেয়া আৰক্ষীয়ে পৰীক্ষা কৰি আছে। আজি আৰক্ষীৰ দলে মলটোৰ ভিতৰে-বাহিৰে থকা সকলো চিচি টিভিৰ ফুটেজ সংগ্ৰহ কৰিছে। উল্লেখ্য যে ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ পৰা চিভিল ইঞ্জিনীয়াৰিঙৰ ডিগ্ৰী গ্ৰহণ কৰি চৰকাৰী চাকৰিলৈ বাট নাচাই সোণাপুৰৰ নিজৰ বাসভৱনতে খোৱাপানীৰ বটলৰ ফেক্টৰী খুলি ব্যৱসায়ত নিয়োজিত হৈ আছিল সিদ্ধান্ত দাস। দীৰ্ঘদিনৰ প্ৰেমৰ অন্তত দীপশিখাৰ সৈতে যোৱা ৩ ফেব্ৰুৱাৰীত বিবাহপাশত আবদ্ধ হৈছিল সিদ্ধান্ত দাস। কিন্তু দুৰ্ভাগ্যজনকভাৱে বিবাহ হোৱাৰ মাত্ৰ দুমাহ পাছতে মৃত্যুমুখত পৰা সিদ্ধান্তৰ এই দুৰৱস্থাক লৈ সকলোৱে আশ্চৰ্য প্ৰকাশ কৰিছে। জিএমচিএইচত মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পিছতে যুৱকজনৰ মৃতদেহ সোণাপুৰৰ ঘৰলৈ নিয়া হয়।

সম্পাদকীয় শিতান...

# বিহু বিহু লাগিছে গাত..

দেৱাশীষ গোস্বামী



বিহু -শুনিলেই শব্দটো, গাটো দেখোন ৰাইজাই কৰি যায়। কিবা যেন ঘৰত মনেই নবহিব। অনবৰতে যেন শৰীৰৰ প্ৰত্যেকটো অংগ প্ৰত্যংগ লয়লাস ভংগীত নাচিয়েই থাকিব। প্ৰধানত ৰঙেৰে ৰাঙলী আমাৰ অতিকৈ হেপাঁহৰ, বুকুৰ আপোন, বাপতিসাহোন ৰঙালী বিহুটি আহি যেতিয়া আমাৰ পদুলি মুখ পাইহি, আমাৰ গা-মন উছাহেৰে নধৰা হয়। আজিৰ যান্ত্ৰিকতাৰ মাজতো যেয়ে যেনেকৈ পাৰো মন-প্ৰান খুলি ৰঙালীৰ প্ৰত্যেকটো ক্ষণ উপভোগ কৰাৰ চেষ্টা কৰো। পিছে ৰামো নাই অযোধ্যাও নাইৰ দৰে প্ৰদূষিত, কলুষিত আমিবোৰৰ মাজত আগৰ মন প্ৰাণ ঢালি কৰা স্ফুৰ্তিবোৰ ক্ৰমাত ম্লান পৰি অহা যেন অনুভৱ নহয়নে? তথাপিও আমি গৰিষ্ঠ সংখ্যকে চেষ্টা কৰো ৰঙালীৰ গুণ গৰিমা অক্ষুন্ন ৰাখিবলৈ সাধ্য অনুসাৰে।

এই সুন্দৰ ধৰণীত জীৱশ্ৰেষ্ঠ হিচাপে দুদিনীয়া জীৱনটোৰ প্ৰত্যেকটো ক্ষণ উপভোগ্য কৰি তুলি মানুহ হিচাপে জন্ম লভাৰ যথাৰ্থ প্ৰতিপন্ন কৰাৰ দায়িত্ব আমাৰেই। লোকচক্ষুৰ আঁৰ হৈ, নিৰ্জন ঠাইত ভৰ দুপৰীয়া গছৰ তলত চেনাইলৈ বুলি বিহুৱান লৈ, অলপ মৰম যাচিবলৈ নাচনি বোৰৰ আকৌ মন নাযায়নে? চেনাইবোৰো তেনে এখন বিহুৱান পাবলৈ হেপাঁহ নাজাগেনে? ঢোল, পেঁপা, গগনাৰে মুখৰিত এটুকুৰা মুকলি ঠাইত অলপ ককাল ভাঙি নাচিবলৈ মনৰ মাজত উকমুকনি নুতোলেনে? নানা ধৰণৰ পিঠা পনা, দৈ চিৰাৰে আলহী আপ্যায়ন কৰিবলৈ মন নাযাইনে?

ৰজা মহাৰজাসকলৰ বহু প্ৰতিক্ষিত পাঁচ বছৰীয়া কুচকাৱাজৰ অন্তত হোৱা যুদ্ধ খনৰ ইতিমধ্যে অন্ত পৰিছে। বহুজনৰ ৰক্তেৰে ৰঞ্জিত যুদ্ধখনৰ ফলাফললৈ কিছুদিন থকাৰ মাজতে আমাৰ অতিকৈ চেনেহৰ বাপতি-সাহোন ৰঙালী বিহুটি। সকলোৱে এটা নিষ্কলুষ মনেৰে ৰঙালীৰ ৰং প্ৰাণঢালি উপভোগ কৰি মানৱী জীৱন প্ৰদান কৰাৰ বাবে নেদেখাজনৰ সমুখত নতশিৰে প্ৰণিপাত জনাওঁ। ৰঙিলী বাৰ্তাৰ মজিয়াৰ পৰাই সকলোলৈ বাপতিসাহোন বিহুটি তথা অসমীয়া নৱবৰ্ষৰ অলেখ অযুত শুভকামনা।

# বেডমিন্টন এছিয়া চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশ আয়ুসৰ



ৰঙিলী বাৰ্তাসেৱা- বেডমিন্টন এছিয়া চেম্পিয়নশ্বিপৰ পুৰুষ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিলে ভাৰতৰ শ্বাটলাৰ আয়ুস শেট্টী। ১৯৬৫ চনৰ পাছত বেডমিন্টন এছিয়া চেম্পিয়নশ্বিপৰ পুৰুষ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰা ভাৰতৰ প্ৰথমগৰাকী খেলুৱৈৰূপে পৰিগণিত হ'ল প্ৰতিভাবান শ্বাটলাৰ আয়ুস শেট্টী। চীনত পূৰ্ণগতিত চলি থকা প্ৰতিযোগিতাখনৰ শনিবাৰে অনুষ্ঠিত (দহ পৃষ্ঠাত চাওক)

# লুৰিণজ্যোতি গগৈৰ বাসগৃহত আৰক্ষীৰ তালাচী



ৰঙিলী বাৰ্তাসেৱা- সদ্যসমাপ্ত নিৰ্বাচনকেন্দ্ৰিক এক মাৰপিটৰ ঘটনাক কেন্দ্ৰ কৰি এতিয়াও উত্তপ্ত খোৱাং সমষ্টি। সমষ্টিটোৰ বিজেপি আৰু এজেপিৰ দুটা ফৈদৰ মাজত হোৱা সংঘাতৰ পিছত শুকুৰবাৰে ডিব্ৰুগড় বৰপথাৰৰ গদাপানীস্থিত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈৰ বাসগৃহত ডিব্ৰুগড় আৰক্ষীৰ এক বৃহৎ দলে তালাচী চলোৱ। যাৰ বাবে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ডিব্ৰুগড় মহানগৰৰ গদাপাণিৰ তথা অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতিৰ গৃহত ডিএছপি অমৃত ৰঞ্জন বৰ্মনসহ আৰক্ষীৰ এটা বৃহৎ দলে তালাচীৰ বাবে প্ৰৱেশ কৰাৰ পিছতেই এক উত্তপ্ত পৰিৱেশৰ সূচনা হয়। নিৰ্বাচনৰ সময়ত খোৱাং সমষ্টিৰ কোটোহাত বিজেপিৰ চক্ৰধৰ গগৈ আৰু এজেপিৰ লুৰিণজ্যোতি গগৈৰ সমৰ্থিত দুটা ফৈদৰ মাজত এক ৰক্তক্ষয়ী সংঘৰ্ষ হয়। ফলত দুয়ো পক্ষই পৃথকে পৃথকে আৰক্ষীক গোচৰ দিয়ে। উক্ত গোচৰৰ তদন্তৰ বাবেই শুকুৰবাৰে ডিব্ৰুগড়ৰ লুৰিণজ্যোতিৰ বাসগৃহত এজন যুৱকক বিচাৰি (দহ পৃষ্ঠাত চাওক)

# মধ্য গুৱাহাটীৰ প্ৰাৰ্থী কুংকি চৌধুৰীৰ বিৰুদ্ধে এজাহাৰ




ৰঙিলী বাৰ্তাসেৱা- ভোটগ্ৰহণৰ দিনটোত নিৰ্বাচনী আচৰণবিধি ভংগৰ অভিযোগত মধ্য গুৱাহাটী সমষ্টিৰ অজাপ তথা বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী কুংকি চৌধুৰী আৰু তেওঁৰ সামাজিক মাধ্যম গোটৰ এজন সদস্যৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে পাণবজাৰ আৰক্ষীয়ে। ৰিহাবাৰীৰ নৱ কুমাৰ লহকৰ নামৰ এগৰাকী ব্যক্তিয়ে দাখিল কৰা এজাহাৰৰ ভিত্তিত পাণবজাৰ আৰক্ষীয়ে কুংকি চৌধুৰী আৰু তেওঁৰ সামাজিক মাধ্যম গোটৰ সদস্য সন্দীপ যাদৱ নামৰ গুৰগাঁৱৰ লোকজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। যোৱা ৰাতিয়ে পাণবজাৰ আৰক্ষীয়ে সন্দীপ যাদৱক আটক কৰে যদিও শুকুৰবাৰে দুপৰীয়াৰ ভাগলৈ তেওঁক আৰক্ষীয়ে মুকলি কৰি দিয়ে। ঘটনা সন্দৰ্ভত যোৱা ৰাতিয়ে পাণবজাৰ থানাত উপস্থিত হৈ নিজৰ স্থিতি স্পষ্ট কৰে আৰু সামাজিক মাধ্যমত এটা ভিডিঅ' শ্বেয়াৰ কৰি কুংকি চৌধুৰীয়ে লিখিছে- মোৰ আৰু আমাৰ সামাজিক মাধ্যম টীমৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা হৈছে। সেয়েহে মাজনিশা আৰক্ষীয়ে আমাৰ সতীৰ্থসকলক আটক কৰিছে। মই মোৰ ভাষ্য আৰক্ষীৰ সন্মুখত দিবলৈ বৰ্তমান থানাতে অপেক্ষা কৰি আছোঁ, কাৰণ আইন অনুসৰি ৰাতি আৰক্ষীয়ে মহিলাৰ ভাষ্য গ্ৰহণ নকৰে। কিন্তু এটা কথা সজোৰে কওঁ, আমি নিৰ্বাচন আয়োগৰ কোনো নিয়মক অসন্মান কৰা নাই। আৰম্ভণিৰে পৰা আমি নিৰ্বাচন আয়োগৰ প্ৰতিটো নিয়ম সততাৰে পালন কৰি আহিছোঁ। শাসনাধিষ্ঠিত দলটোৱে আমাৰ প্ৰতি ৰাইজৰ আশীৰ্বাদ আৰু মৰম দেখি শংকিত হৈছে আৰু এনে পদক্ষেপ গ্ৰহণ কৰিছে। ভিডিঅ'টোত কুংকি চৌধুৰীয়ে পুনৰ কয়, আমাৰ (নপৃষ্ঠাত চাওক)

# নিজগৃহত উপস্থিত আলফা


দেখিবলৈ পোৱা যায়। অসমৰ সংবাদ মাধ্যমত সততে শিৰোনাম দখল কৰা নেতাগৰাকী সোঁ-শৰীৰে ঘৰলৈ আহিছে। আত্মসমৰ্পণ কৰাৰ পাছত নাদুৱা গোহাঁই গাঁৱত উপস্থিত হোৱা দহোটীয়াক ঢোলে-দগৰে আদৰি আনে বৃহত্তৰ অঞ্চলটোৰ ৰাইজে। সাত বছৰীয়া পুত্ৰ, পত্নী নয়নয় চেং আৰু তিনি বছৰীয়া কন্যা সন্তানসহ পিতৃবিহীন ঘৰখনত তেওঁ উপস্থিত হোৱাত মাতৃ পাতলী বৰুৱা কান্দোনত ভাগি পৰে। উল্লেখ্য যে ২০০১ চনত আলফাত যোগদান কৰা দহোটীয়াই ২০২৫ চনৰ ২৩ নৱেম্বৰত অৰুণাচল প্ৰদেশৰ পাংচু পাছৰ ম্যানমাৰৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত আত্মসমৰ্পণ কৰিছিল। আলফা (স্বা)ৰ নিম্ন সদনৰ সাধাৰণ সম্পাদক তথা বিত্ত বিভাগৰ দায়িত্বত আছিল দহোটীয়া। তেওঁ আত্মসমৰ্পণ কৰিছিল যদিও অসম আৰক্ষীয়ে অতি কৌশলগতভাৱে আত্মগোপন কৰাই ৰাখিছিল। ক'ত কেনেকৈ তেওঁক অসম আৰক্ষীয়ে ৰাখিছিল সেই কথা আজিও ৰহস্য। কিন্তু পত্নী-পুত্ৰক লৈ নিজৰ জন্মগৃহত উপস্থিত হৈ আৱেগিক হৈ পৰে একালৰ দুৰ্দ্ধৰ্ষ আলফা (স্বা)ৰ নেতাজন। সুদীৰ্ঘ ২৫ বছৰৰ পাছত সশস্ত্ৰ সংগ্ৰাম ত্যাগ কৰি মূলসুঁতিলৈ ঘূৰি অহা দহোটীয়াই নিজ গৃহত উপস্থিত হৈ কয় যে ঘৰলৈ আহি ভালেই লাগিছে । জীৱনে আমাক বিভিন্ন সময়ত বিভিন্ন পথলৈ লৈ যায়, কিন্তু মৰমে ঘৰলৈ লৈ আহিছে । ইমান দিনৰ মূৰত নিজৰ পৰিয়াল আৰু ভাই-বন্ধুক লগ পাই ভাল লাগিছে। কিন্তু কিবা এটা কাৰণত সুখী হ'ব পৰা নাই। শেষ ভালে সকলো ভাল, কিন্তু মোৰ ক্ষেত্ৰত সেইটো নহ'ল। আনহাতে, আলফা ত্যাগ কৰা সন্দৰ্ভত তেওঁ কয়, কি কাৰণত মই আলফা স্বাধীন এৰিলো সেইটো সহজকৈ কৈ দিব নোৱাৰি। পৰেশ অসম মোৰ বাবে পিতৃস্বৰূপ। তেওঁৰ সু-স্বাস্থ্য কামনা কৰিছো। আজি মই ঘৰলৈ আহিও আনন্দিত হ'ব নোৱৰা দুখ থাকি গৈছে। ছাৰৰ প্ৰতি মোৰ শ্ৰদ্ধা সদায় থাকিব। স্বাধীন অসমৰ প্ৰাসংগিকতাক লৈ দহোটীয়াই কয় যে স্বাধীন অসমৰ প্ৰাসংগিকতা আছে বুলি কিছু লোকেই সংগ্ৰাম কৰিছে আৰু নাই বুলি ভাবি কিছুসংখ্যকে ঘূৰি আহিছে। আলফা (স্বা)ৰ ভৱিষ্যৎ আছে নে নাই সেই কথা কৈ দিব পৰা অৱস্থাত মই নাই। দহোটীয়াৰ মাতৃয়ে কয় যে নিজৰ ল'ৰা ঘৰলৈ ঘূৰি আহিছে ভাল লাগিছে। দেউতাকে চাবলৈ বৰ মন কৰিছিল। কিন্তু নেদেখিলে। সেইটো কথাতে মোৰ বৰ দুখ লাগিছে। সি এটা হৈ গৈছিল যদিও চাৰিটা হৈ আহিছে। আজি ২৫ বছৰে ঘৰত নাছিল বাবে দুখ লাগিছে। বহুত কষ্টত দিন পাৰ কৰিলোঁ। আৰ্মীয়ে বহুত দিগ্‌দাৰ দিলে। দিন হ'লে ৰাতি নহওক বুলিয়ে সদায় ভাবিছিলোঁ। আনহাতে, জ্যেষ্ঠ ভাতৃ ব্ৰজেন বৰুৱা গগৈয়ে নিজৰ ভাতৃক কাষত পাই আনন্দ প্ৰকাশ কৰাৰ লগতে আলফা (স্বা) আৰু ভাৰত চৰকাৰৰ মাজত থকা সংঘাত অন্ত পৰাৰ কামনা কৰে।

# প্ৰাণৰ শিল্পীৰ হত্যাৰ গোচৰত জামিন আবেদন শ্যামকানুৰ



ৰঙিলী বাৰ্তাসেৱা- ফাষ্টট্ৰেক আদালতত চলি থকা জুবিন গাৰ্গৰ মৃত্যু গোচৰত দ্বিতীয়বাৰৰ বাবে জামিন বিচাৰি জামিন আবেদন দাখিল কৰে হত্যাকাণ্ডটোৰ অন্যতম অভিযুক্ত শ্যামকানু মহন্তৰ অধিবক্তা ৰাজদীপ বেনাৰ্জীয়ে। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জামিনৰ বাবে আবেদন কৰে শ্যামকানু মহন্তৰ অধিবক্তাগৰাকীয়ে। এই জামিন আবেদনৰ ২২ এপ্ৰিলত শুনানি গ্ৰহণ কৰিব আদালতে। উল্লেখ্য যে পূৰ্বেও অভিযুক্ত শ্যামকানু মহন্তই জামিন বিচাৰি আবেদন কৰিছিল। কিন্তু পৰৱৰ্তী পৰ্যায়ত তেওঁ জামিন আবেদন প্ৰত্যাহাৰ কৰিছিল। আনহাতে আদালতত আন এগৰাকী অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা মালিকানাধীন মহাবীৰ একুৱা পুনৰ খোলা হ'বনে নাই সেই সন্দৰ্ভতো এক শুনানি অনুষ্ঠিত হয়। (দহ পৃষ্ঠাত চাওক)

# এছিয়ান বক্সিং চেম্পিয়নশ্বিপত ব্ৰঞ্জ লাভ লাভলীনাৰ



ৰঙিলী বাৰ্তাসেৱা- অসমৰ বাবে এক গৌৰৱৰ খবৰ। অলিম্পিক বিজয়ী বক্সাৰ লাভলীনা বৰগোহাঁয়ে মংগোলীয়াত অনুষ্ঠিত এছিয়ান বক্সিং চেম্পিয়নশ্বিপৰ ৭৫ কেজি শাখাত ব্ৰঞ্জ ৰ পদক লাভ কৰিছে। ব্ৰঞ্জ ৰ পদক লাভ কৰি ফেচবুকযোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে লাভলীনাই। তেওঁ কয় যে অসমত নিৰ্বাচন চলি থকাৰ সময়তে আজি মই ব্ৰঞ্জ ৰ পদক পাবলৈ সক্ষম হ'লোঁ। বহুত বেছি আনন্দিত, কাৰণ, ২০২৪ চনৰ পাছত এয়া মোৰ প্ৰথম গুৰুত্বপূৰ্ণ প্ৰতিযোগিতাৰ পদক। এইটো সোণৰ পদক নহ'ব পাৰে, কিন্তু মোৰ কাৰণে এয়া সোণতকৈও বহুত বেছি মূল্যৱান। কাৰণ কিছুদিনৰ আগত এটা সময় আহিছিল যেতিয়া মই ভাবিছিলোঁ বক্সিং এৰি দিম বুলি ভাবিছিলো । আজি যেতিয়া সেই দিনটোৰ কথা চিন্তা কৰোঁ মোৰ চকুৰ পানী ওলাই যায় । কাৰণ এজন ক্ৰীড়াবিদৰ বাবে ইয়াক এৰাৰ কথাটো ভাবিলেই বহুত (নপৃষ্ঠাত চাওক)

# ভুৱা সাংবাদিকসহ

দীৰ্ঘদিন ধৰি ধন দাবীৰে ব্লেকমেইলিং কৰি আহিছে। শেহতীয়াকৈ ব্যৱসায়ীজনৰ পৰা ভয়-ভাবুকিৰে এই চক্ৰটোৱে ২০ হাজাৰ টকা আদায় কৰিছে আৰু আজি পুনৰ ব্যৱসায়ীজনক দাবীকৰা ধন আনিবলৈ ভুৱা সাংবাদিকসহ অসম উন্নয়ন পৰিষদৰ নেতাদ্বয় বৰগাঁওস্থিত শিৱশক্তি হোটেলত উপস্থিত হয়। পিছত হোটেল ব্যৱসায়ীজনে কৌশলেৰে ভুৱা সাংবাদিকসহ তিনিওজনকে আটক কৰি গড়চুক আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত গড়চুক আৰক্ষীৰ এটা দল উপস্থিত হৈ প'ৰ্টেল চেনেলৰ ভুৱা সাংবাদিক দীপক সিন্হাৰ লগতে অসম উন্নয়ন পৰিষদৰ নেতাদ্বয় ক্ৰমে মৌচম কুমাৰ উজীৰ আৰু সোণমণি দাসক আটক কৰে। ইফালে, শিৱশক্তি হোটেলৰ স্বত্বাধিকাৰী প্ৰদীপ কুমাৰ যাদৱৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে গড়চুক থানাত এটা গোচৰ ৰুজু কৰি ধনদাবী কৰা তিনিওজনকে সোধা-পোছা অব্যাহত ৰখা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে গুৱাহাটী মহানগৰীত সাংবাদিকৰ নাম লৈ একাংশ উদণ্ড যুৱক-যুৱতীয়ে ব্যৱসায়ীসকলক ব্লেকমেইলিং কৰাত লিপ্ত হোৱাৰ এই তথ্য অহাৰ পিছত এইসকলৰ বিৰুদ্ধে সাংবাদিকসকলৰ বিভিন্ন দল-সংগঠনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী- প্ৰশাসনক দাবী জনায়। এইক্ষেত্ৰত গড়চুক আৰক্ষীয়ে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

# ঘোষণা হ'ল বহু প্ৰতীক্ষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল

ৰঙিলী বাৰ্ত্তাসেৰা- অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত অনুষ্ঠিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে। তাৎপৰ্যপূৰ্ণভাৱে পৰীক্ষা অনুষ্ঠিত হোৱাৰ পৰা মুঠ ৩৬ দিনৰ ভিতৰত এইবাৰ পৰিষদে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল নিখুঁতভাৱে ঘোষণা কৰি একপ্ৰকাৰ অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। বিগত ১০ ফেব্ৰুৱাৰীৰ পৰা ২৭ ফেব্ৰুৱাৰীলৈ ৰাজ্যৰ ১০৪৬টা পৰীক্ষা কেন্দ্ৰত অনুষ্ঠিত হোৱা পৰীক্ষাত এইবাৰ অৱতীৰ্ণ হৈছিল মুঠ ৪, ২৯, ২৪৯ গৰাকী পৰীক্ষাৰ্থী। বিগত বৰ্ষৰ তুলনাত এইবাৰ ৬৫.৬২ শতাংশ উত্তীৰ্ণৰ হাৰেৰে ছাত্ৰীৰ আধিপত্যক চেৰ পেলাই উজলি উঠিল ছাত্ৰ সমাজ। ঘোষিত ফলাফল অনুসৰি এইবাৰ উত্তীৰ্ণ হোৱা মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২, ৮১, ৭০১ গৰাকী। ইয়াৰ ভিতৰত ৬৩.৯৬ শতাংশ ছাত্ৰী উত্তীৰ্ণ হোৱাৰ লগতে ৬৭.৭৮ শতাংশ ছাত্ৰই উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। বিগত ২০২৫ বৰ্ষত ৬৩.৯৮ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছিল। সেই তুলনাত এইবাৰ উত্তীৰ্ণৰ হাৰ যথেষ্ট উন্নত হৈছে। পুৱা ১০.৩০ বজাত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ডে ঘোষণা কৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ।এই ফলাফল অনুসৰি প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে ৮৫১৮৯ গৰাকী, দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে ১৫০১৬৭ গৰাকী আৰু তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে ৪৬৩৪৫ গৰাকী পৰীক্ষাৰ্থী । এইবাৰ ৩, ৯৮৩ গৰাকীয়ে ডিষ্টিংচন লাভ কৰিবলৈ সক্ষম হোৱাৰ লগতে ১৩, ৬৮১ গৰাকীয়ে ষ্টাৰ মাৰ্ক লাভ কৰিছে। ৮৫, ১৮৯ গৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ লগতে ১, ৫০, ১৬৭ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ৪৬, ৩৪৫ গৰাকীয়ে তৃতীয় বিভাগ পাবলৈ সক্ষম হৈছে। ৯৯, ০৬২ গৰাকীয়ে লেটাৰ মাৰ্কছ লাভকৰিবলৈ সক্ষম হয়। ইয়াৰ ভিতৰত অসমীয়াত ১৮৪৮১, বঙালীত ৩১৩৮, বড়োত ২৪৬৭,

( পাঁচ পৃষ্ঠাত চাওক)

# শাৰীৰিক অসুস্থতাক নেওচি ভোটদান গৰিমা গাৰ্গৰ



ৰঙিলী বাৰ্ত্তাসেৰা- প্ৰতিকূল বতৰৰ লগতে শাৰীৰিক অসুস্থতাক নেওচি কাহিলিপাৰাৰ ভগদত্তপুৰ ভোটগ্ৰহণ কেন্দ্ৰত নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিলে গৰিমা শইকীয়া গাৰ্গে। অসুস্থ শৰীৰে পুৱাৰ ভাগতে কাহিলীপাৰাৰ দক্ষিণগাঁও প্ৰাথমিক বিদ্যালয়ত গৰিমা শইকীয়া গাৰ্গে ভোটদান সাব্যস্ত কৰে। গৰিমা শইকীয়া গাৰ্গৰ লগত উপস্থিত থাকে ভগ্নী পামী বৰঠাকুৰ। ভোটাধিকাৰ সাব্যস্ত গৰিমা শইকীয়া গাৰ্গে কয় যে শৰীৰ সুস্থ নহয়, কালি চিকিৎসাৰ পৰা ঘৰলৈ আহিছো। আগতে মই সদায় জুবিনৰ সৈতে ভোটদান কৰিবলৈ আহিছিলো। ভোটদান সকলোৰে গণতান্ত্ৰিক অধিকাৰ, আমাৰ সকলোৰে এইটো দায়িত্ব। সেয়ে অসুস্থ দেহাৰে হ'লেও

( নপৃষ্ঠাত চাওক)

# ৰাজস্থানৰ বালাজী মন্দিৰ

ফলাফল সন্দৰ্ভত বক্তব্য প্ৰকাশ কৰি কয়- মোৰ ধাৰণা, অসমত বিজেপি আৰু মিত্ৰজোঁটে বহুত ভাল ফলাফলেৰে জয়ী হ'বলৈ সক্ষম হ'ব। নিৰ্বাচন অনুষ্ঠিত হোৱা ১২৬খন আসনৰ ৯০-১০০খন আসন এনডিএই দখল কৰিব। নিৰ্বাচন এইবাৰ বিজেপিৰ সপক্ষে বুলি মন্তব্য কৰি তেওঁ কয়- অসমত তৃতীয়বাৰৰ বাবে এনডিএই চৰকাৰ গঠন কৰাটো নিশ্চিত। ইফালে পশ্চিমবংগত বিজেপিয়ে এইবাৰ সফলতা লাভ কৰিব নে নাই বুলি উত্থাপিত প্ৰশ্ন সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- পশ্চিমবংগত আমাৰ দলে প্ৰত্যাহ্বান অব্যাহত ৰাখিছে। সকলোৰে আশা- এইবাৰ ৰাজ্যখনত বিজেপিয়ে জয়লাভ কৰিব। অহা ১৫ এপ্ৰিলৰ পৰা ৰাজ্যখনত মই নিৰ্বাচনী প্ৰচাৰ চলাম। কিন্তু ইয়াৰ পূৰ্বে যি খবৰ আহিছে সেয়া বিজেপিৰ সপক্ষে আছে। ইফালে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে মুখ্যমন্ত্ৰী ড° শৰ্মা ভ্ৰষ্টাচাৰী বুলি তোলা অভিযোগৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে পুনৰ ৰাহুল গান্ধীক পাগল বুলি আখ্যা দিয়ে। আনহাতে ভুৱা তথ্যৰে মুখ্যমন্ত্ৰী আৰু তেওঁৰ পত্নীৰ বিৰুদ্ধে অভিযোগ অনা পৱন খেড়াকো পাগল বুলি আখ্যা দি মুখ্যমন্ত্ৰী ড° শৰ্মাই তেওঁলোকৰ মগজুত একো নাই। ফটোষ্টেটৰ নথিৰে আবোল-তাবোল কথা কোৱা তেওঁলোকে ৰাজনীতিৰ যি মৰ্যাদা ৰাখিব লাগে, সেয়াও ৰখা নাই। তেওঁলোকে যি ফটোশ্বপ কৰি তথ্য দাঙি ধৰিছে সেইধৰণে সৰু ল'ৰা এটায়ো নকৰে। ইফালে ৰাজ্যত সদ্যসমাপ্ত নিৰ্বাচনত সকলো হিন্দু সনাতনীয়ে বিজেপিৰ পক্ষত ভোট দিয়া বুলিও মন্তব্য কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীৰ দৰে ৰাজ্যত পুনৰ এনডিএৰ চৰকাৰ হ'ব বুলি দাবী কৰিলে অতুল বৰায়ো। কাজিৰঙাত আজি সংবাদ মাধ্যমৰ আগত অগপ সভাপতিজনে দাবী কৰে যে পূৰ্বতকৈ এনডিএ মিত্ৰজোটে অধিক আসন লাভ কৰিব। তেওঁ কয়- আমি বহুত আশাৰে নিৰ্বাচনৰ দিনটোলৈ বাট চাই আছিলোঁ। নিৰ্বাচনৰ যি পৰিৱেশ তাৰ পৰা পূৰ্বানুমান কৰিব পাৰিছোঁ যে এই ফলাফল এনডিএৰ সপক্ষে যাব। অসমৰ ভোটাৰ ৰাইজে ব্যাপক হাৰত এনডিএৰ সপক্ষে ভোটদান কৰিছে আৰু পূৰ্বতকৈ অধিক আসনেৰে পুনৰ বিজেপি আৰু মিত্ৰদল শাসনলৈ আহিব। ৰাজ্যখনত যোৱা বছৰকেইটাত হোৱা উন্নয়ন আৰু বিকাশৰ বাবে এইবাৰ ভোটদানৰ হাৰ বৃদ্ধি হোৱা বুলি অতুল বৰাই কয়। কংগ্ৰেছৰ দিনত বিকাশৰ বিটোও হোৱা নাছিল। কেৱল সেই সময়ত চৰকাৰখনৰ দুৰ্নীতি-ভ্ৰষ্টাচাৰ-অনিয়মৰ কথাহে সংবাদ মাধ্যমত প্ৰচাৰ হৈছিল। বিদেশীৰ প্ৰতি দুৰ্বলতা, বিদেশীৰে ভোটবেংক মজবুত কৰা সেয়া আছিল কংগ্ৰেছৰ কাৰ্যকালৰ মূল কাম। কিন্তু এতিয়া সেই পৰিৱেশ নাই। যোৱা দিনবিলাকত ৰাজ্যবাসীৰ ধ্যান-ধাৰণা সলনি হৈছে। কাজিৰঙাত চোৰাং চিকাৰীৰ হাতত দৈনন্দিন গঁড় হত্যা হৈছিল। কিন্তু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰখনে ৰাজ্যখনত বিভিন্ন আঁচনিৰে অৰ্থনৈতিক পৰিকাঠামো শক্তিশালী কৰাৰ লগতে আন্তঃগাঁথনিৰ ব্যাপক উন্নয়ন সাধন কৰিলে। যাৰ ফলত সকলো শ্ৰেণীৰ ৰাইজ উপকৃত হৈছে।

# ৰাজ্যৰ ভিতৰতে শীৰ্ষ-স্থানত পাটাছাৰকুছিৰ জ্যোতিৰ্ময় দাস



ৰঙিলী বাৰ্ত্তাসেৰা- শুকুৰবাৰে ঘোষণা কৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত ৯৮.৫ শতাংশ নম্বৰেৰে ৰাজ্যৰ ভিতৰতে প্ৰথম স্থান লাভ কৰিছে পাটাছাৰকুছিৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ মেধাবী ছাত্ৰ জ্যোতিৰ্ময় দাসে। তেওঁ অসমীয়াত ১০০, ইংৰাজীত ৯৬, সাধাৰণ গণিতত ১০০ সাধাৰণ বিজ্ঞানত ৯৭, সমাজ বিজ্ঞানত ৯৮, উচ্চ গণিতত ১০০ নম্বৰসহ মুঠ ৫৯১ নম্বৰ লাভ কৰিছে। তেওঁ পাটাছাৰকুছিৰ মৰ্কা নিৰাসী পাঠশালাৰ এখন ব্যক্তিগত চিকিৎসালয়ত কৰ্মৰত সতীশ চন্দ্ৰ দাস আৰু ববিতা দাসৰ পুত্ৰ। ফলাফল ঘোষণা হোৱাৰ পাছতেই তেওঁৰ ঘৰতো শুভাকাংক্ষীয়ে উপস্থিত হয়। এই ফলাফলক লৈ যথেষ্ট সুখী জ্যোতিৰ্ময়ে কয় যে, মই এটা ভাল ফলাফল পাম বুলি আশা কৰিছিলো যদিও প্ৰথম

( দহ পৃষ্ঠাত চাওক)


# কেৰালা-পুদুচেৰীত ভোটগ্ৰহণ সম্পন্ন



ৰঙিলী বাৰ্ত্তাসেৰা- দেশৰ নিৰ্বাচন আয়োগে ইতিপূৰ্বে ঘোষণা কৰা মতে চাৰিখন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধানসভা নিৰ্বাচনৰ সূচী অনুসৰি বৃহস্পতিবাৰে অসম, কেৰালাম আৰু পুদুচেৰীৰ ভোটগ্ৰহণ একেটা পৰ্যায়তে অনুষ্ঠিত হয়। পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা এই ভোটগ্ৰহণ পৰ্ব সন্ধিয়া ৬ বজাত সামৰণি পৰে। সামগ্ৰিকভাৱে শান্তিপূৰ্ণ ভোটগ্ৰহণ অনুষ্ঠিত হয় তিনিওখন ৰাজ্যতে। কেৰালামত ১৪০খন আৰু পুদুচেৰীৰ ৩০খন আসনৰ বাবে একক পৰ্যায়ৰ ভোটগ্ৰহণ হৈছে। কেৰালামত মুঠ ৮৯০ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে আৰু ২.৭ কোটিৰো অধিক ভোটাৰে ভোটদানৰ যোগ্যতা অৰ্জন কৰিছে। ৰাজ্যখনত মূল যুঁজখন হৈছে শাসকীয় চিপিআই (এম) নেতৃত্বাধীন বাওঁ গণতান্ত্ৰিক ফ্ৰন্ট (এল ডি এফ) আৰু কংগ্ৰেছ নেতৃত্বাধীন ইউনাইটেড ডেমক্ৰেটিক ফ্ৰন্টৰ মাজত। আনহাতে, পুদুচেৰীত ৰাজ্যখনৰ ৯, ৫০, ০০০ ভোটাৰে ২৯৪ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব । পুদুচেৰীত বিজেপি নেতৃত্বাধীন

(দহ পৃষ্ঠাত চাওক)

# ক্ৰিকেটাৰ চি ডি গোপীনাথৰ দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৰা- ভাৰতৰ প্ৰথমটো টেষ্ট বিজয়ী দলৰ অন্তিম সদস্য চি ডি গোপীনাথৰ দেহাৱসান। ৯৬ বছৰ বয়সত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। বৃহস্পতিবাৰে চেন্নাইৰ আদয়াৰস্থিত কন্যাৰ ঘৰত টোপনিতে শেষ নিশ্বাস ত্যাগ কৰে গোপীনাথে। ২০২৪ চনত দত্ত গাইকোৱাডৰ মৃত্যুৰ পিছত সেই দলৰ অন্তিমজন সদস্য আছিল গোপীনাথ। তেওঁৰ মৃত্যুৰ লগে লগে ভাৰতীয় ক্ৰিকেটৰ এটা অধ্যায়ৰ অন্ত পৰিল। ১৯৫১-৫২ চনত ইংলেণ্ডৰ বিৰুদ্ধে টেষ্ট অভিষেক ঘটা গোপীনাথে টেষ্টখনৰ দুয়োটা ইনিংছত ৫০ আৰু ৪২ ৰান কৰি নটআউট হৈ আছিল। উক্ত শৃংখলাটোৰ অন্তিমখন টেষ্টত চেন্নাইত গোপীনাথে ৩৫ ৰানৰ অৰিহণা আগবঢ়াইছিল। উক্ত টেষ্টত ইংলেণ্ডক পৰাস্ত কৰিছিল ভাৰতীয় দলটোৱে আৰু সেইটোৱেই আছিল ভাৰতৰ প্ৰথম টেষ্ট জয়। ভাৰতৰ হৈ ৮খন টেষ্ট খেলা গোপীনাথে প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত ৮৩খন মেচ খেলিছিল।

# ৰাজ্যত ৮৫.৯১ শতাংশ ভোটদানৰে অভিলেখ সৃষ্টি



ৰঙিলী বাৰ্তাসেৱা- সৰ্বকালৰ অভিলেখ সৃষ্টি কৰি অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনত ৮৫.১৩ শতাংশ ভোটদান কৰিলে ৰাজ্যৰ ভোটাৰ ৰাইজে। বৃহস্পতিবাৰে দীঘলীয়া সময়ৰ পিছত প্ৰথমবাৰৰ বাবে এটা পৰ্যায়ত অনুষ্ঠিত ভোটগ্ৰহণত ৰাজ্যৰ প্ৰতিটো সমষ্টিতে হিলদল ভাঙি আহিল ভোটাৰে ভোট দিবলৈ। প্ৰত্যেকে অংশগ্ৰহণ কৰিলে গণতন্ত্ৰৰ উৎসৱ উদযাপনত। উল্লেখ্য যে বিগত তিনিটাকৈ বিধানসভা নিৰ্বাচনত ভোটদানৰ হাৰক চেৰ পেলাই এইবাৰ প্ৰায় ৮৫.৯১ শতাংশ ভোটাৰে নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে ২০১১ চনত অনুষ্ঠিত বিধানসভা নিৰ্বাচনত ভোটদানৰ হাৰ আছিল ৭৬.০৫ শতাংশ। আনহাতে ২০১৬ চনত দুটা পৰ্যায়ত অনুষ্ঠিত নিৰ্বাচনত প্ৰথম পৰ্যায়ত ৮২.২০ শতাংশ, দ্বিতীয় পৰ্যায়ত ৮৭.০৩ শতাংশ ভোটদানেৰে সৰ্বমুঠ ৮৪.৭২ শতাংশ ভোটদান হৈছিল। একেদৰে ২০২১ চনত তিনিটা পৰ্যায়ত অনুষ্ঠিত ভোটগ্ৰহণত ভোটদানৰ হাৰ আছিল ৮২.০৪ শতাংশ। ইয়াৰে প্ৰথম পৰ্যায়ত ৭৯.৯৩ শতাংশ, দ্বিতীয় পৰ্যায়ত ৮০.৯৬ শতাংশ আৰু তৃতীয় ( নপৃষ্ঠাত চাওক)

# সপৰিয়ালে গড়লত ভোটদান মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্তাসেৱা- ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়াত পৰিয়ালৰ সৈতে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। জালুকবাৰী সমষ্টিৰ গড়ল বুনিয়াদী প্ৰাথমিক বিদ্যালয়ত মুখ্যমন্ত্ৰীয়ে পত্নী ৰিণিকি শৰ্মা ভূঞা, পুত্ৰ নন্দিল আৰু কন্যা সুকন্যাৰ সৈতে ভোটাধিকাৰ সাব্যস্ত কৰে। ভোটাধিকাৰ সাব্যস্ত কৰাৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে পৰিয়ালৰ সৈতে ( নপৃষ্ঠাত চাওক)

# নদুৱাৰত ভোটদানৰ পূৰ্বে প'লিং বিষয়াৰ মৃত্যু

ৰঙিলী বাৰ্তাসেৱা-নদুৱাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত এটা ভোটগ্ৰহণ কেন্দ্ৰত অঘটন। ভোটদান প্ৰক্ৰিয়া চলি থকাৰ মাজতে সংঘটিত হয় এক শোকাবহ ঘটনা। বৃহস্পতিবাৰে পুৱা সমষ্টিটোৰ ২৩০ নং ভোটকেন্দ্ৰত সংঘটিত হয় এই শোকাবহ ঘটনা ।নদুৱাৰ সমষ্টিৰ চুক্তানং দ'লাপানী ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণৰ পূৰ্বে এজন প'লিং বিষয়াৰ মৃত্যু ঘটে। মৃত্যু হোৱা প'লিং বিষয়াগৰাকী ৰঙাপৰাৰ ৰঙাপৰাৰ দোপদোপি প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক দেৰেন হ'ৰ বুলি জানিব পৰা গৈছে। স্থানীয় প্ৰশাসনৰ পৰা জানিব পৰা মতে, পুৱা ৬ বজাত ভোটকেন্দ্ৰটোত ২য় প'লিং বিষয়া ৰূপে কাৰ্যনিৰ্বাহ কৰিবলৈ অহা ব্যক্তিগৰাকী অসুস্থ হৈ পৰে। অসুস্থ ব্যক্তিগৰাকীক এম্বুলেঞ্চযোগে বিশ্বনাথ অসামৰিক চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে ব্যক্তিগৰাকীক মৃত বুলি ঘোষণা কৰে। মৃত প'লিং বিষয়াগৰাকীৰ ঘৰ ৰঙাপৰাৰ কছাৰী গাঁৱত বুলি জানিব পৰা গৈছে। প'লিং বিষয়াগৰাকীৰ মৃত্যু হোৱাত ভোটকেন্দ্ৰটোত কিছু পলমকৈ ভোটগ্ৰহণ অনুষ্ঠিত হয়।

# ডিব্ৰুগড়ত অগ্ৰগামী মহিলা সন্মিলনৰ উদ্যোগত জয়মতী দিৱস পালন



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰ অগ্ৰগামী মহিলা সন্মিলন, ডিব্ৰুগড়ৰ উদ্যোগত ১নং টেকেলা চিৰিং গাঁও নামঘৰ-প্ৰাংগনত মহীয়সী জয়মতী কুঁৱৰীৰ স্মৃতি দিৱস পালন কৰা হয়। অগ্ৰগামীৰ প্ৰতিষ্ঠাপক সভানেত্ৰী আৰাধনা দত্তৰ পৌৰোহিত্যত আৰু নামঘৰ মহিলা মঞ্চৰ আতিথ্যত অনুষ্ঠিত সভাখনত আৰম্ভণিতে মহীয়সী জয়মতীৰ কাল্পনিক প্ৰতিচ্ছবিৰ সমুখত বন্তিপ্ৰজ্বলন কৰে বিশিষ্ট লেখিকা ড° ভাৰতী দত্তই। চমু ভাষণত তেওঁ দেশৰ বাবেই আত্মবলিদান দিয়া জয়মতীক এগৰাকী ছহিদ আৰু সত্যাগ্ৰহী আখ্যা দিয়ে। আদৰণী ভাষণত সভানেত্ৰী আৰাধনা দত্তই আহোমসকলৰ মাজত পদ্ধতিগত ভাৱে বুৰঞ্জী লিখাৰ প্ৰথা আছিল যদিও বুৰঞ্জী সমূহত ৰাজ-পৰিয়ালৰ মহিলা সকলে বা তেওঁলোক জড়িত হৈ থকা গুৰুত্বপূৰ্ণ বিষয়েও (দহ পৃষ্ঠাত চাওক)



বৰ্ষীয়ান ৰাজনীতিবিদ তথা অধুনালুপ্ত কলাইগাওঁ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক, মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° নগেন্দ্ৰ নাথ শৰ্মাৰ (৯০) সমষ্টি নিৰ্ধাৰণ পিছত প্ৰথমবাৰৰ বাবে মঙ্গলদৈ বিধানসভা সমষ্টিত অন্তৰ্ভুক্ত হোৱা ভোটকেন্দ্ৰ(১৯ নং) ব্ৰহ্মপীঠ মধ্য ইংৰাজী বিদ্যালয়, অকলিবাৰীত (নিজ পিতৃভূমি) ভোটদান ।।

ফটোঃ কিশোৰ কুমাৰ শৰ্মা, মঙলদৈ, দৰং

# দৰঙত সন্ধিয়া ৫.০০ বজা পৰ্য্যন্ত ৯০.৯১ শতাংশ ভোটাৰৰ ভোটদান সম্পন্ন




ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে আজিৰ দিনটোত দৰং জিলাৰ অন্তৰ্গত ছিপাঝাৰ, মঙলদৈ আৰু দলগাওঁ বিধানসভা সমষ্টিত শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন হয়। চৰকাৰী সুত্ৰই প্ৰকাশ কৰা তথ্য অনুসৰি ভোটগ্ৰহণৰ দিনটোত সন্ধিয়া ৫.০০ বজা পৰ্যন্ত জিলাখনৰ মুঠ ৯০.৯১ শতাংশ লোকে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে। ইয়াৰে ৪৯ নং ছিপাঝাৰ বিধান সভা সমষ্টিৰ ৮৬.৯৯শতাংশ, ৫০ নং মঙলদৈ বিধানসভা সমষ্টিৰ ৮৯.০৯শতাংশ আৰু ৫ৰ নং দলগাওঁ বিধান সভা সমষ্টিৰ ৯৪.৫৭ শতাংশ ভোটাৰে ভোটদান কৰে। জিলাখনত পুৱা সাত বজাৰ পৰা ৯০৭ টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটদান প্ৰক্ৰিয়া আৰম্ভ হৈছিল আৰু তাৰে ভিতৰত ইতিমধ্যে ( নপৃষ্ঠাত চাওক)

# ঘোষণা হ'ল বহু প্ৰতীক্ষিত

গাৰোত ১০০, হিন্দীত ১৮১৩, হামাৰত ১৭১, খাছীত ৮, মণিপুৰীত ৩৭৬, মিজোত ১৬, নেপালীত ৭৪, ইংৰাজী (আইএল)ত ৩৬০, অসমীয়া (আইএল)ত ১১, হিন্দী (আইএল)ত ৬৫৭, উচ্চ গণিতত ৪৬৭৯, অসমীয়াত ২১৩, মণিপুৰীত ৩, হিন্দীত ৩৯৭৯, সাম্ভালীত ৫৩, নেপালীত ২৫, সংস্কৃতত ৩৮৪২, আৰবীত ৬২৬১, পাছীত ১২৪২, বুৰঞ্জীত ৩০৪, ভূগোলত ৭৪৯২, কম্পিউটাৰ ছায়েঞ্চত ৭৮৬৭, নৃত্যত ৭২, ফাইন আৰ্টছত ৮৪৭, গাৰ্হস্থ্য বিজ্ঞানত ১৫৩, সংগীতত ১০৪০, গাৰ্মেন্ট ডিজাইনিঙত ২৫৫৭, উড ক্ৰাফ্টত ২১৬৮, সাধাৰণ গণিত (দৃষ্টিহীন ছাত্ৰৰ ক্ষেত্ৰত) ৮, সাধাৰণ বিজ্ঞান (দৃষ্টিহীন ছাত্ৰৰ ক্ষেত্ৰত) ১, ৰিটেইল ট্ৰেড এনএছকিউএফ ৪০৮১, আইটি/আইটিইএছ ৬০৭১, প্ৰাইভেট ছিকিউৰীটি ১৬৭১, হেল্থ কেয়াৰ ৪৪১০, কৃষি আৰু উদ্যান শস্য ৪৭০৩, ট্যুৰিজম এণ্ড হস্পিটেলিটী ২৭১৪, বাণিজ্য ৮৩৯, বিউটী এণ্ড ৱেলনেছ ৯১১, কাৰ্বিত ৫২১, অট'মোটিভ ১৫৫৮, ইলেক্ট্ৰনিক্স এণ্ড হাৰ্ডৱেৰত ১৯৮৪, কৃষি ডেইৰী ৮৬২, য়োগা এণ্ড ফিজিকেল এডুকেচনত ৪১৫, এআইত ১৪০, এপাৰেল ২৮১, ইংৰাজীত ১৯৭৩২, সাধাৰণ গণিত ১৬৮৬৫, সাধাৰণ বিজ্ঞান ১৬২৭০ আৰু সমাজ বিজ্ঞানত ১১৪৮৩গৰাকী ছাত্ৰ-ছাত্ৰীয়ে লেটাৰ মাৰ্কছ পাবলৈ সক্ষম হৈছে। পৰীক্ষাটোত ১৩৫গৰাকী ছাত্ৰ-ছাত্ৰীক বহিষ্কাৰ কৰাৰ লগতে প্ৰগৰাকীৰ ফলাফল স্থগিত ৰখা হৈছে। ৯৩১৫গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষাত অনুপস্থিত থাকে। অসমৰ ডিমা হাচাও জিলাত উত্তীৰ্ণৰ হাৰ সৰ্বাধিক ৮৮.২৩ শতাংশ আৰু কাছাৰত উত্তীৰ্ণৰ হাৰ সৰ্বনিম্ন ৪৯.১৩ শতাংশ ।শিৱসাগৰত উত্তীৰ্ণৰ হাৰ ৮৪.০৮ শতাংশ আৰু ডিব্ৰুগড়ত ৭৮.৪৬ শতাংশ ।

# প্ৰাণৰ বহাগ তুমি অনন্য



অনামিকা (সংগীতা)কলিতা, শুৱালকুছি

অসমী আইৰ হৃদয়ৰ তিনিটা বিহুৰ ভিতৰত অন্যতম সকলোৰে প্ৰাণৰ প্ৰিয় বহাগ। অসমীয়া নৱ বৰ্ষৰ প্ৰথমটো খোজৰ দোকমোকালিতে তুমি আমালৈ ঢোলে ডগৰে লৈ আহিবা অনেক আশাৰ বতৰা ... ! , তোমাৰ পৰশত ধৰিত্ৰীৰ বুকুৰ সেউজীয়া দলিচাৰ কোমল হাঁহি.কোনেনো পাহৰে... ! অসমী আইৰ বুকুত সমন্বয়ৰ শলিতা গছি জ্বলাই সকলোৰে হৃদয়ত প্ৰেমৰ বীজ সিঁচাৰ সপোন দেখুওৱা তুমিয়ে ৰাঙলী জনী... ! শব্দৰ মালাৰে তোমাক সজাই তোলাৰ প্ৰবল হেঁপাহ প্ৰতিজন অসমীয়াৰ! সেন্দুৰীয়া কপালত চাদৰৰ আঁচলত নাচনীৰ সাজোনত জীপাল হয় আকাশ বতাহ, ঢোল পেঁপা, গগণা মাতত অবাক হৈ পৰে দুৰ দিগন্তৰ হেঙুলী ৰহন... !মেঘৰ আচ্ছাদন ফালি বৰদৈচিলা জনী যেতিয়াই ঢপলিয়াই আহে ঠেহপাতি তুমি পোহৰৰ ফালে এবাৰো নোচোৱা যিমানেই পোহৰ মধুৰ নহওঁক। আশা কৰিছো, নতুন বছৰৰ প্ৰতিটো পুৱাই তুমি আমালৈ কঢ়িয়াই আনিবা নৱ সৃষ্টিৰ মধুৰ বতৰা, মনৰ সঞ্চিত দুখ বেদনা বোৰ বিকশিত কৰিবা, ৰঙীণ সুৰুজৰ আলোক সন্ধানী সৃষ্টিৰ কামনাৰে জীৱনলৈ বৈ আনিবা অমল প্ৰেমৰ ঢল, সপোন বোৰ সাৰ পাই উঠক ৰক্তৰঞ্জিত গোলাপৰ পাহিৰ দৰে, দুখ ভাগৰৰ তৃষ্ণাত সৰি পৰক হাঁহিৰ সুগন্ধি মন্ত্ৰ, জীৱন ৰঙীণ উৎস। আজিৰ এই জটিল সন্ধিক্ষণত প্ৰতিশ্ৰুতিবদ্ধ হোৱাৰ প্ৰেৰণা যোগাবা যাতে ইজনে সিজনক আকোৱালি লৈ সজাই তুলিব পাৰো জীৱনৰ দৈনন্দিন পৃষ্ঠাবোৰ প্ৰেম আৰু ভাতৃত্ববোধৰ এনাজৰীৰে। শেষত তোমালৈ যাঁচিলো মোৰ হৃদয়ৰ প্ৰণিপ্ৰাত আৰু গভীৰ ভালপোৱা ।

# মানসিক উদ্বিগ্নতাৰে নিৰ্বাচনী বতৰত বসন্ত



নমিতা দাস, শুৱালকুছি

মন মগজুত কোনো এক সিদ্ধান্ত লোৱাৰ সময়তে যদি অস্থিৰতাই বাহ লয় সেই সময়ত শুদ্ধ সিদ্ধান্ত লবলৈ জতিল হৈ পৰে। উদ্বিগ্নতাই অস্থিৰ কৰি তোলা মনক বিবেকক দংশন কৰি শ'লঠেকত পেলাই, তেতিয়াই শুদ্ধ সিদ্ধান্ত লোৱাৰ বিপৰীতে ভুল পথত খোজ দিবলৈ আগবাঢ়া দেখা যায়। মানসিক ভাবে সুস্থিৰ হৈ বিবেচনা কৰিবলৈ হ'লে নিজৰ ব্যক্তিত্ব ঠিকে ৰাখি, চৌকাষৰ পৰিবেশৰ প্ৰতি গুৰুত্ব নিদি নিজৰ মন মগজুৰে সুস্থিৰ ভাৱে সিদ্ধান্ত লৈ নিজৰ কৰ্মৰে বিশ্বাস সহকাৰে আগবাঢ়ি যোৱাৰ সময়তে ৰাজনৈতিক ভাবে চলোৱা কিছুমান প্ৰচাৰে ভোটাৰ সকলৰ মন- মগজুত বিভ্ৰান্তিৰ সৃষ্টি কৰে । এই বিভ্ৰান্তি বোৰৰ বাবেই ভোটাৰৰ প্ৰতি সন্দেহৰ জন্ম লয় উপযুক্ত ব্যক্তিক নিৰ্বাচন কৰাৰ সময়ত উদ্বিগ্নতাই বাৰুকৈয়ে প্ৰভাৱ পেলাই । ভোটাৰ সকলৰ কৰ্মই বা বাৰে বাৰে দিয়া প্ৰতিশ্ৰুতি ভংগই মন বোৰ অশান্ত কৰি তোলে তেতিয়াও সুস্থ সিদ্ধান্ত লবলৈ কঠিন হয় আশাবাদী মনেৰে বিশ্বাস কৰাৰ ফলত আশা ভংগই নেতিবাচক প্ৰভাৱ পেলাই। যিয়েই নহওক সময় প্ৰতি মুহূৰ্ততে প্ৰৱাহমান ওলোটাই ঘূৰাই পোৱা নাযায়, কিন্তু আমাক পৰিপুষ্ট হ'বলৈ শিকাই । অস্থিৰ সময়ে হাঁহি ধেমালীত কৈ দুখ বোৰক ৰোমন্থন কৰোৱাই, সময়ে কোনো কোনো সময়ত বন্ধুত্ব আৰু কোনো কোনো সময়ত শত্ৰুতাৰ স্থান লয় যদিও সময়ৰ কোৱাল সোঁতৰ বিপৰীতে অগ্ৰসৰ হোৱা মানসিক চাপে দুঃসাহসিকতাত পৰিগনিত হয় । সময়ৰ সোঁতত এৰি অহা মধুৰ স্মৃতিবোৰে কেতিয়াবা জীৱনত আগুৱাই যাবলৈও প্ৰেৰণা দিয়ে আৰু কেতিয়াবা কৰুণ স্মৃতিয়ে মনটো দুৰ্বল কৰি তোলে। অতিত আৰু বৰ্তমানৰ মাজত সময়ৰ বহু সাল সলনি হলেও সময়ৰ লগত খোজ মিলাই আমি আগুৱাই যাবই লাগিব এয়াই জীৱনৰ চৰম সত্য । এৰি অহা সময়ক পাহৰণিৰ সোঁতত এৰি দিবলৈও কঠিন কিন্তু বৰ্তমানৰ লগত একাত্ম হৈ চলিলেহে সমাজৰ লগত একেলগে খোজ মিলাবলৈ সক্ষম হ'ম । কিন্তু সাধাৰণ ভাৱে জীয়াই থকা মানুহে এই জতিলতা বুজি পোৱা কঠিন মনৰ উদ্বিগ্নতাৰ মাজত নিজৰ অধিকাৰ হেৰুৱাই পেলাবলৈ অগ্ৰসৰ হোৱা যেন অনুভৱ হয় ।

ভোট হৈছে সাধাৰণ জনতাৰ মৌলিক অধিকাৰ এই অধিকাৰৰ পৰা কোনেও আমাক বঞ্চিত কৰিব নোৱাৰে কিন্তু নিৰ্বাচনী ঢৌৰে সাধাৰণ ভোটাৰৰ মৌলিক অধিকাৰ বোৰৰ কথা বিবেকেৰে বিবেচনা কৰিবলৈ যেন এৰি দিব বিচৰা নাই । নিৰ্বাচনৰ অকোৱা - পকোৱা প্ৰচাৰে সাধাৰণ জনতাৰ নিৰ্বাচনী প্ৰচাৰ আৰু ইজনে আনজনৰ প্ৰতি কৰা কটু মন্তব্যই নিৰ্বাচনী প্ৰচাৰৰ এতিয়া অবিচ্ছেদ অংগ যেন অনুভৱ হয়। এইবোৰ বাতৰিয়ে শ'ল ঠেকত পেলাইছে সাধাৰণ জনতাক আনফালে নিৰ্বাচিত নিজ নিজ প্ৰাৰ্থীৰ জয় ধ্বনীয়ে উদ্বিগ্নতাৰ সৃষ্টি কৰিছে। ৩৯৫ অনুচ্ছেদত ভাৰতবৰ্ষৰ সংবিধানত থকা মৌলিক অধিকাৰ ভোটাধিকাৰৰ কথা ভাবিবলৈ সুস্থ বাৰ্তাবৰণৰ নিত্যান্তই প্ৰয়োজন যেন অনুভৱ হয়।

বসন্তৰ আগমনে ধৰা লৈ নমাই আনিলে লঠঙা ডালত (আঠপৃষ্ঠাত চাওক)

# ৰূপহী অসম




**প্ৰভাত বণিয়া**

অসম আমাৰ মাতৃ ভূমি
সুজলা সুফলা
ৰূপৰ নাই তুলনা
জাতি-জনগোষ্ঠী, হিন্দু-মুছলমান
সকলো ধৰ্মাৱলম্বী ভাই ভাই
থাকো মিলি জুলি
একেলগে ঘূৰি ফুৰো
একেলগে বাস কৰো
মাতৃ আমাৰ অসম
চিৰ চেনেহী
আইৰ ভাষা অসমীয়া
আমাৰ হৃদয়ৰ ভাষা
সুৰদী সুৰীয়া
জান প্ৰাণ দি জীয়াই ৰাখিম
জনম জনম
মহাপুৰুষ গুৰু শংকৰ-মাধৱ আৰু দামোদৰ হৰিদেৱ,
সমন্বয়ৰ প্ৰতীক আজান ফকীৰ
সাহিত্য কলা সংগীতৰ মহীৰূহ
জ্যোতি-বিষ্ণু, লক্ষ্মীনাথ
হিয়াৰ আমঠু
সুধাকণ্ঠ ভূপেন হাজৰিকা প্ৰাণৰ শিল্পী জুবিন গাৰ্গ
লাচিত, মণিৰাম পিয়লি, সতী জয়মতী, বীৰাংগনা
কনকলতা অসম গৌৰৱ আমাৰ স্বাভিমান
আমি অসমীয়া
বিহু আমাৰ বিনন্দীয়া
অতিকৈ চেনেহৰ জাতীয় উৎসৱ
জাকত জিলিকি উঠিছে আজি
বিশ্বৰ বুকুত
সুষমা নিৰুপমা
আমাৰ মাতৃ
ৰূপহী অসম।

অণুগল্প

# শোষণ



**মালবিকা দেৱী, শোণিতপুৰ**

পাঁচশ টকীয়া নোট খন হাতত গুজি দি ক'লে- কিয় দিছোঁ গম পাইছেই নহয়, ঘৰৰ সকলোৰে মোক দিব বুলি আশা কৰিলোঁ। তাই নোট খন ঘুৰাই দি ক'লে- পাঁচোটা বছৰে ক'ত আছিলা ? পাই থকা অৰুণোদয়টো কাটি দিলা। এইবাৰ আমি আবেগেৰে নহয়, বিবেকেৰে দিম। বেয়া নাপাবা।

# জন্ম শতবাৰ্ষিকীৰ বিশেষ শ্ৰদ্ধা সুধাকণ্ঠলৈ
# ড° ভূপেন হাজৰিকা... অসমীয়া জাতিৰ এক সুকীয়া সত্ত্বা



**মানসী মিশ্ৰ**


হৃদয়ৰ মনিকোঠাত যিসকলক আলফুলে সযতনে ভৰাই লোৱা হয়, সেইসকল কেতিয়াও স্মৃতি হৈ নাযায়। মনৰ মনিকোঠাত স্থায়ী হৈ ৰয় তেওঁলোক। সেইবাবেই শতিকাৰ শ্ৰেষ্ঠ অসমীয়া ড° ভূপেন হাজৰিকা নামৰ বিশাল ব্যক্তিত্বৰ অধিকাৰী ব্যক্তিগৰাকী আজিও আমাৰ নিচেই কাষতে থকা যেন অনুভৱ হয়। তেখেতৰ গীতৰ প্ৰতিটো শব্দ, সেই সুৰৰ মায়াবী শক্তি এতিয়াও আমাৰ চৌপাশে বাজি আছে। শৈশৱৰ পৰাই ড° ভূপেন হাজৰিকাৰ সৃষ্টি ৰাজিৰ একান্ত অনুৰাগী এতিয়াও সেই অনুৰাগ, অনুভূতি একেই আছে আৰু আগলৈও একেই থাকিব। ইয়াৰ মূলতেই হয়তো ড° ভূপেন হাজৰিকাৰ সৃষ্টি ৰাজিয়ে জীৱনৰ প্ৰতিটো স্তৰৰ ব্যক্তিকে সমানে আনন্দ দিব পৰাকৈ এক সন্মোহিনী শক্তি আছে। এই প্ৰিয় ব্যক্তিগৰাকীৰ গীতৰ এটা কলি দূৰণিৰ পৰা ভাঁহি আহিলেও এতিয়া এইটোহে অনুভৱ হয় যে ড° ভূপেন হাজৰিকাই পোন্ধৰ টা আগতেই মেলানি মাগিছে কায়িকভাৱে এই পৃথিৱীৰ পৰা। কিন্তু বৰ দকৈ নাভাবিলে কেতিয়াও আমাৰ মনলৈ নাহে যে ড° ভূপেন হাজৰিকা নামৰ বিশাল সত্ত্বাটো আজি আমাৰ মাজত নাই। তেখেতৰ অনবদ্য সৃষ্টি ৰাজিয়ে মনগহনত জীয়াই ৰাখিছে ভূপেন হাজৰিকা নামৰ বিশাল সত্ত্বাটোক। প্ৰতিটো ঋতু সলনি হলেই তেখেতৰ কথা মনলৈ আহে। প্ৰতিটো বিহু আহিলেই মনলৈ আহে তেখেতৰ কথা। বিশেষকৈ ৰঙালী বিহুৰ মঞ্চখন দেখিলেই পলকতে মনলৈ হাজাৰ হাজাৰ অনুৰাগীৰ মাজত মঞ্চত থিয় হৈ হাৰমনিয়ামৰ ৰীডত আঙুলি বোলাই তেখেতে ইটোৰ পিছত সিটোকৈ গাই যোৱা গীতবোৰলৈ। তেখেতৰ এই অনুপম সৃষ্টি ৰাজিয়ে তেখেতক চিৰকাললৈ অমৰ কৰিব, তাত কোনো সন্দেহ নাই। ড° ভূপেন হাজৰিকা বোলা এই ব্যক্তিগৰাকী কেৱল মাথোঁ শিল্পী নাছিল। তেখেত আছিল কথাশিল্পী, তেখেত আছিল জনতাৰ শিল্পী। তেখেতে মঞ্চত কেৱল ৰাইজক গীতেৰে মোহিত কৰিছিল যে এনে নহয়। তেখেতে সুৰেৰে, শব্দৰে জনতাৰ হৃদয়ৰ লগত এক গণসংযোগ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল। বৰ্তমান সময়ত আমাৰ অতিকৈ প্ৰিয় গণশিল্পী গৰাকীৰ এশবছৰ সম্পূৰ্ণ হ'ল কিন্তু ইমান দিনলৈ তেখেতৰ সেই একেই বিশাল জনপ্ৰিয়তা।

আমাৰ জীৱনৰ অসমীয়া সংস্কৃতিৰ কাণ্ডাৰী স্বৰূপ বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালাক দেখা পোৱাৰ সৌভাগ্য নহ'ল। কিতাপৰ পৃষ্ঠাত তেওঁলোকৰ গুণৰাশি, সৃষ্টি ৰাজি আদিৰ বিষয়ে ককা, আইতা/ জেষ্ঠসকলৰ মুখেৰে তেওঁলোকৰ বিশাল প্ৰতিভাৰ উমান পাইছোঁ। কিন্তু ইয়াৰ মাজতো একবিংশ শতিকাৰ আজিৰ প্ৰতিনিধি হিচাপে আমাৰ গৰ্ববোধ কৰাৰ নিশ্চয় স্থল আছে যে সুধাকণ্ঠৰ বহুতো অনুষ্ঠান স্বচক্ষে নিচেই কাষৰ পৰা প্ৰত্যক্ষ কৰাৰ সুযোগ পাইছিলোঁ। সেইক্ষেত্ৰত নিঃসন্দেহে আমি সৌভাগ্যৱান। সুধাকণ্ঠৰ বিয়োগৰ সময়তে এই কথা প্ৰতীয়মান হৈছিল যে দিন ৰাতি সমান কৰি নশ্বৰ দেহৰ সমুখত লক্ষ্য লক্ষ্য জনতাৰ দৰ্শনেৰে এখন তীৰ্থক্ষেত্ৰলৈ পৰিণত হৈছিল গুৱাহাটীৰ ঐতিহ্যমণ্ডিত জজ খেল পথাৰ। পাৰভঙা অশ্ৰুৰে বিদায় সম্ভাষণ জনাইছিল শিশুৰ পৰা বৃদ্ধলৈকে সকলোৱে। ইয়াৰ মূলতেই হৈছে অসমৰ জনজীৱনলৈ ভূপেন দাৰ যি অৱদান আছিল সেয়া আছিল তুলনাবিহীন। তেখেত কেৱল অন্যান্য প্ৰতিভাশালী গায়কেই নাছিল, তেখেত এগৰাকী মহান গীতিকাৰেই নহয়, মানুহৰ হৃদয়ত শ্ৰেষ্ঠ স্থানপোৱা সাহিত্যিকেই নহয়, তেখেত এই সকলোবোৰ হৈয়ো সকলোৰে উৰ্ধত অনন্য এগৰাকী ব্যক্তি। এইগৰাকী শিল্পীয়ে সৃষ্টি কৰা প্ৰতিটো গীতৰ একেটি শব্দই সমাজক দিছিল একোটাকৈ জ্ঞানগভীৰ বাৰ্তা। তেখেতৰ চিন্তাত, তেখেতৰ সৃষ্টিত এনেকুৱা এখন মানুহেৰে পৰিৱেষ্টিত সমাজৰ আশা কৰিছিল, যিখন সমাজৰ প্ৰতিগৰাকী ব্যক্তিয়ে জাতি ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোৰে উৰ্ধত থাকি চিন্তা কৰিছিল মানুহৰ বাবে। ড° ভূপেন হাজৰিকাৰ প্ৰথম পৰিচয় তেখেত এগৰাকী অসমীয়া, আধুনিক শিল্প সংস্কৃতিৰ নিপুণ খনিকৰ। তেখেতৰ উদাৰতা আৰু বিশালতাৰ পৰিচয় তেখেতৰ বিশ্বজনীন সাৰ্বজনীনতাৰ মাজেদিয়ে পোৱা যায়। তেখেতৰ অধিক সংখ্যক গীতত প্ৰতিফলিত হৈছে জাতিভেদ নেওচিৰ খোজ একবিংশ শতিকাৰ একোখন সমাজৰ প্ৰতিচ্ছবি। কিন্তু এই গৰাকী ভূপেন দাই এটা সময়ত ৰাইজৰ মৰমৰ পৰা বঞ্চিত হৈছিল। মানুহে তেখেতৰ ওপৰত ভুল মনোভাৱ পোষণ কৰি তেখেতৰ বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী আৰু সভা সমিতি সমূহৰ পৰা বৰ্জন কৰিছিল। সেয়েহে তেখেতে মনৰ বেজাৰত স্ব-ৰাজ্যৰ পৰা আঁতৰি গৈ কলিকতা, মুম্বাই আদিতে থাকিবলৈ লৈছিল। বৰ্হিংৰাজ্যত থাকিলেও জন্মভূমিৰ প্ৰতি তেখেতৰ মৰম চেনেহ আছিল অনন্য আৰু সেইবাবে স্বদেশ আৰু স্বজাতিৰ বাবে তেখেতে অহৰহ সৃষ্টি কৰি গৈছিল।

আমাৰ শ্ৰদ্ধা আৰু আদৰৰ ভূপেন দা জীয়াই থকা অৱস্থাত তেখেতৰ ওপজা দিনটো কিছু পৰিমাণে উদযাপন কৰা হৈছিল। তেখেতৰ প্ৰতি ওলগ আৰু শ্ৰদ্ধা জনাই ভিন্ন ঠাইত তেখেতৰ গীতসমূহ পৰিৱেশন কৰি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী আদিৰ আয়োজন কৰা হৈছিল। কিন্তু তেখেতৰ মহা প্ৰয়াণৰ পিছত তেখেতৰ জন্ম দিৱসৰ লগতে মৃত্যু দিৱসৰ কাৰ্য্যসূচীও পালন কৰাৰ ব্যৱস্থা কৰা হ'ল। দুয়োটা দিনতে তেখেতৰ কৰ্মৰাজীক সোঁৱৰণ কৰি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী, স্মৃতি সভা, ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হয়। এতিয়া এইটো বৰ্ষত সুধাকণ্ঠৰ আমাৰ ৰাজ্যত জন্মশতবাৰ্ষিকী আয়োজন কৰা হৈছে। তেখেতৰ এই শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি আমাৰ ৰাজ্যত আঠ চেপ্তেম্বৰ তাৰিখটোত গুৱাহাটীত কেন্দ্ৰীয় ভাৱে জন্মশতবাৰ্ষিকী অনুষ্ঠানৰ শুভ আৰম্ভণি কৰা হয়। এই অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে দেশৰ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া। ড° ভূপেন হাজৰিকাৰ দৰে এগৰাকী বৰেণ্য ব্যক্তিৰ জন্ম শতবাৰ্ষিকীৰ আৰম্ভণি অনুষ্ঠানত থাকিবলৈ পাই নিজকে ধন্য অনুভৱ কৰে বুলি তেখেতে বিশাল জনসভাত প্ৰকাশ কৰে। এই সভাত অসমৰ মাননীয় মুখ্যমন্ত্ৰীকে ধৰি অন্যান্য সন্মানীয় মন্ত্ৰী বিধায়ক সকল লগতে অসমৰ বৌদ্ধিক, সামাজিক, সাংস্কৃতিক জগতৰ অন্যান্য গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে আৰু এই অনুষ্ঠানত সুধাকণ্ঠ ড° ভূপেন দাৰ পৰিয়ালবৰ্গৰ লোকসকলো উপস্থিত থাকে। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানতে ড° হাজৰিকা দেৱৰ ফটো সম্বলিত এটা ডাক টিকটো উন্মোচন কৰা হয়। লগতে ড° ভূপেন হাজৰিকা দেৱৰ সমগ্ৰ জীৱন আৰু কৃতিৰ ওপৰত এখন প্ৰণয়ণ কৰি উলিওৱা হয়। আমাৰ সুধাকণ্ঠ ভূপেন দাক বিশদভাৱে জানিবলৈ এইখন এখন বাচকবনীয়া গ্ৰন্থ। এই গ্ৰন্থখন যাতে উঠি অহা প্ৰজন্মৰ হাততো পৰিব পাৰে সেই হেতুকে অসমৰ চৰকাৰী বিদ্যালয়, মহাবিদ্যালয় সমূহলৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰিছে চৰকাৰী ভাৱে। উঠি অহা ছাত্ৰ-ছাত্ৰী সকলে ড° হাজৰিকাক বিশদভাৱে জনাৰ হেতুকে বিদ্যালয়ৰ শিক্ষক সকললৈ বিনামূলীয়াকৈ এই গ্ৰন্থ প্ৰেৰণ কৰা হৈছে। ড° হাজৰিকা দেৱৰ কৰ্মৰাজিৰ বিষয়ে অনুজসকলে গম পালেহে তেওঁলোকে তেখেতৰ সৃষ্টি ৰাজিক জীয়াই ৰাখিবলৈ সক্ষম হ'ব। সেইবাবে এইক্ষেত্ৰত জ্যেষ্ঠসকল আগবাঢ়ি আহিব লাগে সুধাকণ্ঠৰ সৃষ্টি ৰাজিৰ সৈতে উঠি অহা প্ৰজন্মক ভালদৰে পৰিচয় কৰি দিবলৈ। আমাৰ ৰাজ্যত বিহুৰ দৰে এক বৃহৎ জাতীয় উৎসৱ আছে য'ত বহু মানুহ একেলগে সন্মিলিত হয়। বিশেষকৈ ৰঙালী বিহুৰ এই সাংস্কৃতিক অনুষ্ঠানত বহুদিন ব্যাপি ডাঙৰ সাংস্কৃতিক কাৰ্যসূচী হয় আৰু অসমৰ ইমূৰৰ পৰা সিমূৰলৈ হোৱা অনুষ্ঠানসমূহত বিভিন্ন শিল্পী/ গায়কে অনুষ্ঠান পৰিৱেশন কৰে। গতিকে ড° হাজৰিকাৰ সৃষ্টি ৰাজিক প্ৰজন্মৰ পৰা প্ৰজন্মলৈ কঢ়িয়াই নিবলৈ এইখন এখন উপযোগী মঞ্চ। গতিকে এই সময়ত শিল্পী, গায়ক সকলে নিজৰ অনুষ্ঠান পৰিৱেশন কৰা সময়ত এটাকৈ হলেও গীত পৰিৱেশন কৰিব লাগে আৰু বিহুৰ আয়োজন কৰা সমিতিসমূহেও এই কথাটোত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিব লাগে। এই ব্যৱস্থাটো নিশ্চিত হ'লে সকলো বয়সৰ/ সকলো শ্ৰেণীৰ লোকে ড° ভূপেন হাজৰিকা দেৱৰ সৃষ্টিৰাজিৰ মাজত সোমাই পৰাৰ সুযোগ লাভ কৰিব। ড° ভূপেন হাজৰিকা আমাৰ জাতিৰ এক আবেগ, আমাৰ বাবে এক সুকীয়া সত্ত্বা। সেইবাবে তেখেতৰ সৃষ্টি ৰাজি আমাৰ মাজত স্থায়ী ভাৱে সংৰক্ষিত আৰু সুৰক্ষিত হৈ থাকে তাৰ বাবে আমি সকলোৱে চিন্তা কৰিব লাগে। তেখেতৰ দৰে এগৰাকী মানৱতাবাদী শিল্পীৰ গীতসমূহ প্ৰজন্মই প্ৰজন্মই গাই যোৱাৰ চেষ্টা কৰিব লাগিব। লগতে তেখেতে গাই যোৱা, ৰচনা কৰা গীত সমূহৰ যি সমূহ চি ডি/ কেছেট আছে সেইসমূহ সাংস্কৃতিক সংগ্ৰালয়ত সংগৃহীত হ'ব লাগে। বিদ্যালয়, মহাবিদ্যালয় সমূহত য'ত য'ত সংগীত পৰিৱেশনৰ ব্যৱস্থা আছে সেইসমূহত সুধাকণ্ঠৰ গীত গোৱা/বজোৱাৰ দিহা কৰিব লাগে। বিদ্যালয়, মহবিদ্যালয় সমূহৰ পাঠ্যক্ৰমত সুধাকণ্ঠৰ সৃষ্টিৰাজিৰ ওপৰত এটি পাঠ শিক্ষা পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰোৱাটো নিশ্চিত কৰিব লাগে। আমাৰ ৰাজ্যৰ বিশ্ববিদ্যালয় সমূহত অন্তত ড° ভূপেন হাজৰিকাৰ নামত এখনকৈ আসন সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। কেৱল এটা দিনৰ বাবে অথবা এটা বৰ্ষৰ বাবে ড° ভূপেন হাজৰিকাদেৱৰ নাম স্মৰণ কৰিলেই তেখেতৰ প্ৰতি আমাৰ দায়িত্ব শেষ নহয় বুলি আমি তেখেতৰ শতবৰ্ষৰ বছৰটিতো অনুভৱ কৰিছোঁ। প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰবাহিত হৈ থাকিব লাগিব ভূপেন দাৰ বিশাল সৃষ্টি ৰাজি । এই খিনি কৰিব পাৰিলে তেখেত চিৰকাল আমাৰ মাজত জীয়াই থাকিব তেখেতৰ বিশাল সৃষ্টিৰে।

(লেখক ৰাজ্যৰ শিক্ষাখণ্ডৰ এগৰাকী বিষয়া আৰু বিভিন্ন কাকত, আলোচনীৰ নিয়মীয়া নিবন্ধকাৰ)

# জীৱনৰ যাত্ৰা



অংকুৰজ্যোতি হাতীমূৰীয়া,শিৱসাগৰ

জীৱন কি?
কালিৰ বাবে অনুশোচনা বা
ভৱিষ্যতৰ চিন্তাৰে জীয়াই থাকিবলৈ,
বা এই মুহূৰ্তটো মুকলিকৈ জীয়াই থাকিবলৈ।
এই দ্ৰুতগতিত চলি থকা পৃথিৱীখনত,
মিছা হাঁহিক শোভা বঢ়াই দিয়া
সেই মুখাবোৰৰ আঁৰত,
নিজকে চিনি পোৱাৰ বিষয়ে জীৱন।
জীৱনটো কালিৰ পৰা নতুন শিক্ষা লোৱা,
কাইলৈকে ভাল কৰি তুলিছে।
জীৱনটো হৈছে বিপৰ্যয়ৰ
পিছতো পুনৰ উত্থান।
উত্থান-পতন, জয়-পৰাজয়ৰ বাহিৰলৈ উঠি অহা,
প্ৰতিটো মুহূৰ্ত উদযাপনৰ বিষয়ে জীৱন।
লৌকিক মানদণ্ডৰ শিকলিৰ পৰা মুক্ত হৈ,
নিজৰ ইচ্ছা অনুসৰি জীয়াই থকাৰ বিষয়ে জীৱন।
প্ৰায়ে আমি বিচাৰাখিনি নাপাওঁ,
জীৱনে আমাৰ বাবে যি উচিত সেয়াই দিয়ে।
আমি বৈ যোৱা গন্তব্যস্থান নহয়;
জীৱনটো হৈছে অনন্য মাইলৰ খুঁটিৰ
এক সুন্দৰ যাত্ৰা।
স্বীকাৰ্য্য যে জীৱনৰ এই যাত্ৰা
সদায় সহজ নহয়,
কিন্তু এই যাত্ৰাই আমাক ইমান
সক্ষম কৰি তুলিছে,
যে অসুবিধাবোৰো সহজ যেন লাগে।
বহু ৰহস্যৰ সৈতে জড়িত এই জীৱন।
প্ৰতিটো পুৱা এটা প্ৰত্যাহ্বান,
প্ৰতিটো সন্ধিয়া এটা পাঠ।
প্ৰতিটো উদয় হোৱা সূৰ্য্যৰ লগে লগে
ই এক নতুন সুযোগ প্ৰদান কৰে
জীৱনটোক সম্পূৰ্ণৰূপে জীয়াই থাকিবলৈ।
যদি আমি সুখৰ ভাগ বতৰা কৰি
কৃতজ্ঞতা প্ৰকাশ কৰিব পাৰোঁ,
তেতিয়াহে বুজিম... আমাৰ জীৱনটো
আমাৰ লগত বহুত সুখী।

# মানসিক উদ্বিগ্নতাৰে

কোমল কুঁহিপাত, সেউজীয়া প্ৰকৃতিয়ে ৰঙালীৰ ৰঙেৰে উৎবাউল কৰিলে। ৰঙালী বিহু সমাগত চাৰিও ফালে উচ্ছাস উদ্দিপনা বিহুক আদৰাৰ । কিন্তু এইবাৰ যেন ঢোলৰ গুম গুমনিয়ে বিহুৰ উচ্ছাসো ম্লান কৰিছে। কুলিৰ মাতত বিষাদে আৱৰিছে বাপতি সাহোন ৰঙালী বিহুৰ সময়তে নিৰ্বাচনী বতৰ নিৰ্বাচনীৰ ধুমুহাৰ মাজত আপোন জনৰ মাজতে ইজনে আনজনৰ প্ৰতি হিংসাৰ জুইত দগ্ধ । এজনে আনজনৰ গাত বোকা চতিয়াই নিজ নিজ সমৰ্থনৰ প্ৰাৰ্থীৰ বাবে ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ জনগণক আহ্বান, নিৰ্বাচনৰ ধুমুহাই প্ৰাণৰ শিল্পী গৰাকীৰ মৃত্যুৰ শোকত দগ্ধ হোৱা লোকসকলক কিছু পৰিমানে হলেওঁ শিল্পী গৰাকীৰ মৃত্যুৰ শোক পাহৰাই ৰাখিছে । ঈশ্বৰ পুত্ৰ বুলি বিশ্বাস কৰা শিল্পী গৰাকীক ৰাজনীতিৰ মাজলৈ টানি আনি সাধাৰণ জনতাক উত্তাল কৰিছে এয়াই সময় । নিৰ্বাচনৰ সময়ৰ লগত বসন্ত ঋতুৰ আগমনে ম্লান কৰিছে ৰঙালীৰ উৎসাহ উদ্দিপনা।

# চিঠিৰ ভাষা আৰু সাহিত্যৰ সৌন্দৰ্য



যোৰাখণ্ডৰ পৰা.. জীৱনজ্যোতি গগৈ, গোলাঘাট

এইদৰে, চিঠিৰ ভাষাৰ সহজতা, আন্তৰিকতা, ব্যক্তিগততা আৰু কাব্যিকতা একেলগে মিলি এক অনন্য সাহিত্যিক সৌন্দৰ্য সৃষ্টি কৰে, যি যুগে যুগে মানুহৰ হৃদয় স্পৰ্শ কৰি আহিছে আৰু আগলৈও কৰি থাকিব। চিঠিৰ ভাষা আৰু সাহিত্যৰ সৌন্দৰ্যৰ গভীৰতালৈ অধিক সোমাই চাওঁতে দেখা যায় যে, চিঠি কেৱল অনুভৱৰ প্ৰকাশ নহয়-ই এক আত্ম-আৱিষ্কাৰৰ মাধ্যমো। এজন ব্যক্তিয়ে যেতিয়া কাগজত নিজৰ কথা লিখে, তেতিয়া তেওঁ নিজৰ মনৰ সৈতে এক অন্তৰংগ সংলাপ আৰম্ভ কৰে। এই সংলাপত বহুতো লুকাই থকা অনুভৱ, চিন্তা আৰু দ্বিধা স্পষ্ট হৈ উঠে। সেইবাবে বহুতে নিজৰ ডায়েৰী বা ব্যক্তিগত চিঠিত নিজৰ সঁচা স্বৰূপ প্ৰকাশ কৰে, যি আন ক্ষেত্ৰত সম্ভৱ নহয়।

চিঠিৰ ভাষাত সময়ৰ সোঁতটোও স্পষ্টকৈ অনুভৱ কৰিব পাৰি। আগৰ যুগত লিখা চিঠিসমূহত ব্যৱহৃত শব্দ, বাক্য গঠন, আৰু ভাব প্ৰকাশৰ ধৰণ বৰ্তমানৰ তুলনাত যথেষ্ট পৃথক। এই পাৰ্থক্যই ভাষাৰ বিকাশৰ ইতিহাসো দেখুৱায়। সেয়ে, চিঠি সাহিত্যৰ এক গুৰুত্বপূৰ্ণ উৎস, য'ত ভাষাৰ পৰিৱৰ্তন আৰু সমাজৰ ৰূপান্তৰৰ ছবি একেলগে পোৱা যায়।

চিঠিৰ আন এটা উল্লেখযোগ্য দিশ হৈছে ইয়াৰ নৈঃশব্দ্যৰ শক্তি। চিঠিত কেৱল লিখা শব্দই নহয়, কেতিয়াবা নিলিখা কথাবোৰেও বহুত কিবা ক'ব পাৰে। এটা অসমাপ্ত বাক্য, এটা থমকি যোৱা শব্দ, বা এটা সৰু বিন্দুও পাঠকৰ মনত বহু প্ৰশ্ন আৰু অনুভৱৰ জন্ম দিয়ে। এই নৈঃশব্দ্যই চিঠিৰ সাহিত্যিক সৌন্দৰ্যক আৰু অধিক গভীৰ কৰি তোলে।

আনহাতে, চিঠি মানুহৰ সম্পৰ্ককো দৃঢ় কৰে। দূৰত্ব থাকিলেও চিঠিৰ জৰিয়তে মানুহে একে অনুভৱৰ সূত্ৰত বান্ধি থাকে। এটা সৰল "তুমি কেনে আছা?" বাক্যও কেতিয়াবা বহুত মৰম, চিন্তা আৰু ভালপোৱাৰ অনুভৱ বহন কৰে। এই ধৰণৰ সৰল অথচ গভীৰ প্ৰকাশেই চিঠিক অন্য সাহিত্য ৰূপৰ পৰা পৃথক কৰি তোলে। (বাৰপৃষ্ঠাত চাওক)

# ব'হাগ বিহুঃ উৎসৱৰ মাজত লুকাই থকা দৰ্শন আৰু জীৱনৰ অৰ্থ

কানুপ্ৰিয়া ডেকা
বৰপেটা, হাউলী



অসমৰ হৃদয়ৰ সৈতে অটুটভাৱে জড়িত ব'হাগ বিহু কেৱল এটি উৎসৱ নহয়-ই হৈছে জীৱনৰ এক গভীৰ দৰ্শন, মানুহৰ আশা-আকাংক্ষা, প্ৰকৃতিৰ সৈতে সম্পৰ্ক আৰু নতুন আৰম্ভণিৰ এক উজ্জ্বল প্ৰতীক। প্ৰতিবছৰ ব'হাগ মাহ আহিলেই যেন সমগ্ৰ অসম নতুন ৰূপে সজীৱ হৈ উঠে। গছ-গছনিৰ কুঁহিপাত, পক্ষীৰ মাত, মাটিৰ সুবাশ-এই সকলোবোৰে মানুহৰ মনত এক নতুন জীৱনৰ অনুভূতি জগাই তোলে। এই উৎসৱৰ মাজতেই লুকাই থাকে জীৱনৰ অৰ্থ বুজিবলৈ সহায় কৰা কিছুমান গভীৰ সত্য।

প্ৰথমতে, ব'হাগ বিহু হৈছে নতুন আৰম্ভণিৰ দৰ্শন। ই অসমীয়া নৱবৰ্ষৰ সূচনা কৰে, যি মানুহক পুৰণি দুখ-দুৰ্দশা পাহৰি নতুন আশা আৰু সপোনেৰে আগবাঢ়িবলৈ অনুপ্ৰাণিত কৰে। জীৱনত যিমানেই বাধা-বিঘিনি আহক, ব'হাগ বিহুৱে শিকাই-প্ৰতিটো শেষৰ পাছতেই এটা নতুন আৰম্ভণি থাকে। এই দৰ্শনে মানুহক ইতিবাচক চিন্তাধাৰা গ্ৰহণ কৰিবলৈ আৰু আগলৈ চাই থাকিবলৈ সাহস দিয়ে।

দ্বিতীয়তে, এই উৎসৱে মানুহ আৰু প্ৰকৃতিৰ অখণ্ড সম্পৰ্ক প্ৰকাশ কৰে। ব'হাগ বিহুৰ সময়ত কৃষকৰ বাবে নতুন বছৰৰ আৰম্ভণি হয়। মাটি, গৰু, ধান-এইবোৰৰ সৈতে জড়িত সকলো আচাৰ-অনুষ্ঠানে মানুহক প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীলতাৰ কথা স্মৰণ কৰায়। গৰু বিহুত গৰু ধোৱা, সজোৱা, সিহঁতক সন্মান জনোৱা-এইবোৰে দেখুৱায় যে জীৱনত প্ৰকৃতি আৰু জীৱ-জন্তুৰ সৈতে সন্মিলিত সহাৱস্থান কিমান গুৰুত্বপূৰ্ণ। এইটো হৈছে এক প্ৰকৃতি-প্ৰেমৰ দৰ্শন, যি আধুনিক যুগতো অতি প্ৰাসংগিক।

তৃতীয়তে, ব'হাগ বিহু হৈছে সমাজ আৰু একতাৰ উৎসৱ। এই সময়ত মানুহে সকলো ভেদাভেদ পাহৰি একেলগে আনন্দ কৰে। ধনী-দুখীয়া, জাতি-ধৰ্মৰ পাৰ্থক্য নথকা এক সামাজিক পৰিৱেশ গঢ়ি উঠে বিহু নৃত্য, ঢোল-পেঁপাৰ সুৰ, গামোচাৰ আদান-প্ৰদান-এই সকলোবোৰে মানুহৰ মাজত স্নেহ, মৰম আৰু সম্প্ৰীতি বৃদ্ধি কৰে। ই আমাক শিকায় যে জীৱনৰ সঁচা সুখ একেলগে থকাৰ মাজতেই লুকাই থাকে।

চতুৰ্থতে, ব'হাগ বিহুৰ মাজত লুকাই আছে প্ৰেম আৰু অনুভৱৰ গভীৰতা। বিহু গীতবোৰত প্ৰকাশ পায় প্ৰেম, আশা, অপেক্ষা আৰু জীৱনৰ সৰু-সৰু সুখ-দুখৰ কথা। এই (বাৰপৃষ্ঠাত চাওক)

# এছিয়ান বক্সিং চেম্পিয়নশ্বিপত

বেছি দুখ লগা কথা বুলি মই অনুভৱ কৰোঁ । যিহেতু আমি এটা পদকৰ কাৰণে ইমান বেছি ত্যাগ কৰোঁ, সৰুৰে পৰা এতিয়া মোৰ ১৭ বছৰ হৈ গ'ল বক্সিঙত, ২০১২ত মই বক্সিঙত যোগদান কৰিছিলোঁ। সৰুৰে পৰাই প্ৰায় সকলো বস্তু ত্যাগ কৰি আহিছোঁ । শুবলৈ মন গ'লেও বেছিকৈ শুব নোৱাৰোঁ, পুৱা সোনকালে উঠিব লাগে। কিবা বস্তু খাব মন গ'লেও খাব নোৱাৰোঁ কাৰণ ডায়েট মেইনটেইন কৰিব লাগে । ক'ৰবালৈ যাব মন গ'লেও যাব নোৱাৰোঁ কাৰণ বক্সিঙৰ কথা চিন্তা কৰোঁ যাতে বক্সিঙত ইয়াৰ পৰা একো প্ৰভাৱ নপৰে। কিমান বস্তু যে ত্যাগ কৰিব লাগে এই দিনটোৰ কাৰণে, এটা পদকৰ কাৰণে । ক'ৰবাত নহয় ক'ৰবাত ইমান দিনে মই সেই পদকটোক উদযাপন কৰা নাছিলোঁ, কিন্তু এতিয়া অনুভৱ কৰিছোঁ যে এটা পদকৰ মূল্য কিমান হয়। তেওঁ লগতে সকলোকে ধন্যবাদ জনাই কয়, সকলোৰে ইমান বেছি সহযোগিতা আছিল। যিহেতু আমাৰ ভাৰতীয় দলে বহুতেই ভাল কৰিছে, আমাৰ ৪ টা সোণৰ পদকো আহিছে। আমাৰ অসমৰ অংকুশিতা আছে, মই আছোঁ, তেওঁও ব্ৰঞ্জ পাইছে, মইও ব্ৰঞ্জ পাইছোঁ। আগলৈও প্ৰতিযোগিতা আহি আছে, তাতে মই আৰু বেছি ভাল কৰিম। পুনৰ কষ্ট কৰিম। আপোনালোক সকলোৰে আশীৰ্বাদ লাগিব । আপোনালোকৰ আশীৰ্বাদৰ কাৰণেই এনেদৰে আগবাঢ়ি যাব পাৰিছোঁ। ভৱিষ্যতেও যাতে এনেদৰে পদক আনিব পাৰোঁ, আমাৰ পৰৱৰ্তী প্ৰজন্মক যাতে আৰু বেছি অনুপ্ৰাণিত কৰিব পাৰোঁ-তাৰেই চেষ্টা কৰিম ।

# ৰাজ্যত ৮৫.৯১ শতাংশ

পৰ্যায়ত ভোটদানৰ হাৰ আছিল ৮৫.২০ শতাংশ। আকৰ্ষণীয় ভোটদানৰ এই হাৰৰ বিপৰীতে এইবাৰ বিধানসভা নিৰ্বাচনত ভোটদানৰ হাৰ হ'ল প্ৰায় ৮৫ শতাংশ। লক্ষণীয়ভাৱে নামনি অসম আৰু মধ্য অসমৰ প্ৰায়কেইটা সমষ্টিতে ভোটদানৰ হাৰ আছিল ৯০ শতাংশতকৈ অধিক। ৰাজ্যিক নিৰ্বাচন আয়োগে প্ৰকাশ কৰা অনুসৰি সৰ্বাধিক দলগাঁও সমষ্টিত ৯৪.৫৭ শতাংশ ভোটদান হয়। আনহাতে গোলকগঞ্জ সমষ্টিত ৯৩.৪২ শতাংশ, গৌৰীপুৰ সমষ্টিত ৯১.৭৯ শতাংশ, মানকাচৰ সমষ্টিত ৯৪.০৮ শতাংশ, জলেশ্বৰত ৯৪.৩১ শতাংশ, গোৱালপাৰা পূব সমষ্টিত ৯২.৭৯ শতাংশ, অভয়াপুৰীত ৯০.৮২ শতাংশ, সৃজনগ্ৰামত ৯৪.৩৩ শতাংশ, মন্দিয়া সমষ্টিত ৯২.৪৫ শতাংশ, চেঙা সমষ্টিত ৯৩.৩৮ শতাংশ, পাকাবেতবাৰীত ৯৩.২৪ শতাংশ, ছমৰীয়াত ৯২.৮২ শতাংশ, লাহৰীঘাটত ৯৩.৪৪ শতাংশ, ধিং সমষ্টিত ৯০.৩৪ শতাংশ আৰু ৰূপহীহাটত ৯২.৭৪ শতাংশ ভোটদান হয়। একেদৰে গোসাঁইগাঁৱত ৮৫.৯ শতাংশ, দোতমাত ৮৫.৮৩ শতাংশ, কোকৰাঝাৰ ৮২.৩১ শতাংশ, বাওখুংগ্ৰী ৮৭.৭৪ শতাংশ, পৰ্বতঝোৰা ৯০.৯৪ শতাংশ, ধুবুৰী ৮৯.০৩ শতাংশ, বিলাসীপাৰা ৮৭.১৬ শতাংশ, গোৱালপাৰা পশ্চিম ৮৯.২৪ শতাংশ, দুধনৈ ৮৭.২৮ শতাংশ, বঙাইগাঁও ৮৯.৮৯ শতাংশ, ছিদলী-চিৰাং ৮৪.৫৬ শতাংশ, বিজনী ৮৭.৮৬ শতাংশ, ভৱানীপুৰ-সৰভোগ ৮৮.৬৮ শতাংশ, বৰপেটা ৮৬.৭৪ শতাংশ, বজালী ৮৪.৫৬ শতাংশ, বকো-ছয়গাঁও ৮২.৯২ শতাংশ, পলাশবাৰী ৮৩.২২ শতাংশ, হাজো-শুৱালকুছি ৮৬.৯৮ শতাংশ, ৰঙিয়া ৮৬.৫৩ শতাংশ, কমলপুৰ ৮৭.৬৪ শতাংশ, দিছপুৰ ৭৩.৯৮ শতাংশ, ডিমৰীয়া ৮০.৫২ শতাংশ, মধ্য গুৱাহাটী ৭৫.২৩ শতাংশ, জালুকবাৰী ৮০.৮৩ শতাংশ, বৰক্ষেত্ৰী ৮৭.৭৫ শতাংশ, নলবাৰী ৮৭.৯৬ শতাংশ, টিহু ৮৪.৯১ শতাংশ, মানস ৮৫.২৪ শতাংশ, বাক্সা ৭৯.৬৮ শতাংশ, তামুলপুৰ ৮২.৫৬ শতাংশ, গোৰেশ্বৰ ৮১.৪২ শতাংশ, ভেৰগাঁও ৮১.৭২ শতাংশ, ওদালগুৰি ৮৮.৩৪ শতাংশ, মাজবাট ৮৩.৪২ শতাংশ, টংলা ৮৩.৪৭ শতাংশ, ছিপাঝাৰ ৮৬.৯৯ শতাংশ, মঙলদৈ ৮৯.০৯ শতাংশ, জাগীৰোড ৮৭.০৫ শতাংশ, মৰিগাঁও ৮৪.৫৬ শতাংশ, কলিয়াবৰ ৮৫.৩০ শতাংশ, বঢ়মপুৰ ৮২.৮৫ শতাংশ, নগাঁও-বটদ্ৰৱা ৮৩.৩৬ শতাংশ, ৰহা ৮৩.৮৩ শতাংশ, বিন্নাকান্দি ৮৭.০৬ শতাংশ, হোজাই ৮৭.৫৩ শতাংশ, লামডিং ৮৬.৫০ শতাংশ, ঢেকীয়াজুলি ৮০.৭৩ শতাংশ, বৰছলা ৮২.৬২ শতাংশ, তেজপুৰ ৮২.১৭ শতাংশ, ৰঙাপৰা ৮৩.৪৯ শতাংশ, নদুৱাৰ ৮২.৫১ শতাংশ, বিশ্বনাথ ৮৩.৯৩ শতাংশ, বিহালী ৮৪.৮২ শতাংশ, গহপুৰ ৮৩.১০ শতাংশ, বিহপুৰীয়া ৮১.৯৬ শতাংশ, ৰঙানদী ৮৭.৬৫ শতাংশ, নাওবৈচা ৮৫.২৬ শতাংশ, লখিমপুৰ ৮৫.৩৪ শতাংশ, ঢকুৱাখনা ৮১.৫৪ শতাংশ, ধেমাজি ৭৮.৬৪ শতাংশ, চিচিবৰগাঁও ৭৮.৯৭ শতাংশ, জোনাই ৭৯.৪১ শতাংশ, শদিয়া ৭৭.৯২ শতাংশ, ডুমডুমা ৮০.৩৮ শতাংশ, ডিগবৈ ৮৭.৩৭শতাংশ, মাৰ্ঘেৰিটা ৭৮.৪৩ শতাংশ, ডিগবৈ ৭৮.৪৩ শতাংশ, মাকুম ৭৮.৩৭ শতাংশ, তিনিচুকীয়া ৭৭.৭৯ শতাংশ, চাবুৱা-লাহোৱাল ৮১.৪১ শতাংশ, ডিব্ৰুগড় ৭৭.৯০ শতাংশ, খোৱাং ৮২.৫৫ শতাংশ, দুলীয়াজান ৭৯.৭১ শতাংশ, টিংখাং ৮০.১২ শতাংশ, নাহৰকটীয়া ৭৮.৮১ শতাংশ, সোণাৰি ৮২.৩৬ শতাংশ, মাহমৰা ৮৩.৫৫ শতাংশ, ডিমৌ ৮২.৯৫ শতাংশ, শিৱসাগৰ ৮২.২৯ শতাংশ, নাজিৰা ৮৪.৭৯ শতাংশ, মাজুলী ৮৩.৬৭ শতাংশ, টীয়ক ৭৯.৯২ শতাংশ, যোৰহাট ৭৭.৯৭ শতাংশ, মৰিয়ন ৮০.৭৭ শতাংশ, তিতাবৰ ৮০.৭০ শতাংশ, গোলাঘাট ৮০.৪৮ শতাংশ, দেৰগাঁও ৮০.৯৬ শতাংশ, বোকাখাত ৮১.৮৫ শতাংশ, খুমটাই ৮৩.৫৪ শতাংশ, সৰুপথাৰ ৭৭.৩৮ শতাংশ, বোকাজান ৭৭.৩৫ শতাংশ, হাওৰাঘাট ৭৬.১১ শতাংশ, ডিফু ৭৩.০৩ শতাংশ, ৰংখাং ৭৪.৮২ শতাংশ, হাফলং ৭৯.৯৬ শতাংশ, লখিপুৰ ৮৩.৭০ শতাংশ, উদাৰবন্দ ৮১.৬৯ শতাংশ, কাটিগড়া ৮৬.৩৭ শতাংশ, বৰখলা ৮৩.৯৬ শতাংশ, শিলচৰ ৭৯.৯৭ শতাংশ, সোণাই ৮০.৯২ শতাংশ, ধলাই ৭৮.৫৫ শতাংশ, হাইলাকান্দি ৭৮.৫১ শতাংশ, আলগাপুৰ-কাটলিচেৰা ৭৯.২৯ শতাংশ, কৰিমগঞ্জ উত্তৰ ৮৪.৫৭ শতাংশ, কৰিমগঞ্জ দক্ষিণ ৮১.৩৩ শতাংশ, পাথাৰকান্দি ৮৩.৩৯ শতাংশ আৰু ৰামকৃষ্ণ নগৰ সমষ্টিত ভোটদানৰ হাৰ আছিল ৮৪.৫২ শতাংশ। বৰ্তমানৰ নিউ গুৱাহাটী সমষ্টিটোত ভোটদানৰ হাৰ আছিল ৭১.২৭ শতাংশ। অৱশ্যে কাৰ্বি আংলং জিলাৰ আৰি সমষ্টিত সবাতোকৈ কম ৭০.৪৮ শতাংশ ভোটদান হয়। উল্লেখ্য যে ৰাজ্যৰ ১২৬টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা মুঠ ৭২২গৰাকী প্ৰাৰ্থীৰ ভাগ্য আজি ইভিএমত বন্দী হয়। ২০২৬ৰ বিধানসভা নিৰ্বাচনত ২ কোটি ৪৯ লাখ ৫৮ হাজাৰ ১৩৯গৰাকী ভোটাৰে থিৰাং কৰিলে ৭২২গৰাকী প্ৰাৰ্থীৰ ভাগ্য। ভোটদান কৰা মুঠ ভোটাৰৰ ১ কোটি ২৪ লাখ ৮২ হাজাৰ ২১৩জন পুৰুষ আৰু ১ কোটি ২৪ লাখ ৭৫ হাজাৰ ৫৮৩গৰাকী মহিলা ভোটাৰ। ৰাজ্যজুৰি ভোটাৰে গভীৰ উৎসাহেৰে নিজৰ গণতান্ত্ৰিক অধিকাৰ এক শান্তিপূৰ্ণ পৰিৱেশত সাব্যস্ত কৰে। ঠায়ে ঠায়ে প্ৰতিকূল বতৰকো নেওচি ভোটাৰৰ ভোটদানৰ উৎসাহ আছিল লক্ষণীয়। আয়োগে নিৰ্বাচনত স্বচ্ছতা আৰু সকলো ভোটাৰৰ অংশগ্ৰহণ সুনিশ্চিত কৰাৰ বাবে ভোটকেন্দ্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছিল। আইন-শৃংখলা অটুট ৰাখিবলৈ পৰ্যাপ্ত নিৰাপত্তা ব্যৱস্থা, জ্যেষ্ঠ নাগৰিক, দিব্যাংগ আৰু অন্যান্য ভোটাৰৰ বাবে বিশেষ ব্যৱস্থা আগবঢ়োৱা হৈছিল। ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে ৰাজ্যৰ সকলো নাগৰিকক তেওঁলোকক সক্ৰিয় অংশগ্ৰহণ আৰু সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। দুই-এটা বিক্ষিপ্ত ঘটনাক বাদ দি কাৰ্যতঃ সফলভাৱে সম্পন্ন হয় ভোটদান।

# মধ্য গুৱাহাটীৰ প্ৰাৰ্থী

বিৰুদ্ধে এখন এজাহাৰ দাখিল হৈছে। এজাহাৰত কোৱা হৈছে আমি কিছুমান নিয়ম ভংগ কৰিছোঁ। আমি সকলোৱেই দেখিছোঁ বিজেপি চৰকাৰে কিমান নিয়ম পালন কৰে। মই মনোনয়ন দাখিলৰ দিনাও নিৰ্বাচন আয়োগৰ বিধি অনুসৰি সকলো ৰেলী বাতিল কৰি অকলেই গৈছিলোঁ। ভোটগ্ৰহণৰ দিনাও আমি নিৰ্বাচন আয়োগৰ নিয়ম মানি চলিছোঁ। এইবোৰ কোনো ভিত্তি নোহোৱাকৈ, কোনো প্ৰমাণ নোহোৱাকৈ আমাক ভয় খুৱাবলৈ তেওঁলোকে কৰিছে। আচলতে তেওঁলোকে ভয় খাইছে, সেয়ে এইবোৰ পদক্ষেপ গ্ৰহণ কৰিছে।

# শাৰীৰিক অসুস্থতাক

আজি ভোটদান কৰিবলৈ আহিছো। আনহাতে, জুবিন গাৰ্গৰ ন্যায়ৰ প্ৰসংগত তেওঁ কয় যে ন্যায়ৰ বাবেই আমি খুঁজি আছো। আশা কৰিছে সোনকালে এটা ৰিজাল্ট ওলাব। সুদূৰ মুম্বাইৰ পৰা আহি এআইডিচিৰ ভোটগ্ৰহণ কেন্দ্ৰত পৰিয়ালৰ সৈতে ভোটাধিকাৰ সাব্যস্ত কৰা শিল্পী মহন্তই কয় যে উন্নয়ন মই দেখিছোঁ। পূৰ্বৰ তুলনাত এইবাৰ ভোটগ্ৰহণ কেন্দ্ৰত যথেষ্ট সুবিধাও দিছে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আমাৰ মাজত নাই যদিও কামবোৰ স্থবিৰ হ'ব নালাগে। সকলোৱে নিজৰ কাম কৰিবই লাগিব। এইবছৰ অলপ খেলিমেলি হ'ব যদিও জীৱনৰ গতি ৰুদ্ধ কেতিয়াও হ'ব নালাগে। সংবাদ মাধ্যমৰ সন্মুখত জুবিনক লৈ বিভিন্ন ৰাজনৈতিক দলসমূহে কৰা ৰাজনীতিকৰণৰ প্ৰসংগত তেওঁ কয় যে কোনে কি কৈছে সেইটো ডাঙৰ কথা নহয়, জুবিনৰ ন্যায় আমি বিচাৰি আছো। সোনকালে আমাক ন্যায় লাগে। লগতে এইবাৰ বিহুমঞ্চত পাপনক দেখা নাযাব বুলিও জনায় কণ্ঠশিল্পীগৰাকীয়ে। পাপনে কয় যে জুবিনৰ অনুপস্থিতিয়ে এইবাৰ যে বিহুত এক শূন্যতা অনুভৱ হ'ব।

# সপৰিয়ালে গড়লত

দৌল গোবিন্দ মন্দিৰত আৰু মা কামাখ্যা ধামত সেৱা আগবঢ়ায়। ইফালে ভোটদান কৰিবলৈ মুখ্যমন্ত্ৰীজন সপৰিয়ালে ভোটকেন্দ্ৰত উপস্থিত হোৱাৰ লগে লগে ভোটাৰসকলৰ মাজত হৈ-চৈ লাগে। উপস্থিত ভোটাৰ আৰু গুণমুগ্ধসকলে তেওঁৰ জয়ধ্বনি দিয়ে। আনহাতে উপস্থিত একাংশৰ মাজত মুখ্যমন্ত্ৰীৰ সৈতে ফটো তোলাৰ অঘোষিত প্ৰতিযোগিতাও চলে। ভোটদান কৰি সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে কয়- অসমৰ বিকাশৰ বাবে, অসমৰ কল্যাণৰ বাবে আৰু প্ৰতিগৰাকী অসমবাসীৰ মংগল সন্মুখত ৰাখি আমি ভোটদান কৰিলোঁ। আজিৰ দিনটোত আমি লোৱা সিদ্ধান্তই অহা ৫ বছৰত ৰাজ্যৰ ভৱিষ্যতৰ দিশ নিৰ্ণয় কৰিব। যোৱা ৪ মাহত অসমবাসীয়ে মোক অলেখ মৰম দিছে, আশীৰ্বাদ দিছে। মই অসমবাসী ৰাইজক কৃতজ্ঞতা জনাইছোঁ। ইফালে ৰাজ্যত হোৱা অভিলেখসংখ্যক ভোটদানৰ পাছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই সামাজিক মাধ্যমযোগে অভিলেখসংখ্যক এই ভোটদানক ঐতিহাসিক বুলি উল্লেখ কৰি কয়- আমি যি লক্ষ্য নিৰ্ধাৰণ কৰি আগবাঢ়িছিলোঁ, সেয়া কেৱল নিৰ্বাচনকেন্দ্ৰিক নাছিল। আমাৰ উদ্দেশ্য আছিল ইয়াক এক আন্দোলনলৈ ৰূপান্তৰ কৰা- আমাৰ সভ্যতাৰ মূল্যবোধ, আমাৰ সংস্কৃতি আৰু আমাৰ ভূমিৰক্ষাৰ আন্দোলন। আজিৰ দিনটোত প্ৰথমবাৰৰ বাবে আমাৰ জনসাধাৰণে হাতে হাত ধৰি কান্ধে কান্ধ মিলাই যি অভূতপূৰ্ব সংখ্যাত ভোটদানৰ বাবে আগবাঢ়ি আহিল, সেয়া নিশ্চিতকৈ শলাগিবলগীয়া। বহুত ভোটগ্ৰহণ কেন্দ্ৰত ৰাইজৰ অংশগ্ৰহণে ৯৫ শতাংশ অতিক্ৰম কৰিছে। এয়া সাধাৰণ কথা নহয়। এয়া ঐতিহাসিক। অসমে আজি ভাষা আৰু জাতিৰ উৰ্ধ্বত গৈ একত্ৰিত হৈছে। অনুপ্ৰৱেশ আৰু জনগাঁথনিগত আগ্ৰাসনৰ পৰা আমাৰ ভূমি, আমাৰ পৰিচয় আৰু আমাৰ সংস্কৃতি ৰক্ষা কৰিবলৈ আমাৰ জনতাই এক স্পষ্ট সংকল্প লৈ ভোটদান কৰিছে। মনত ৰাখিব- ই কেৱল নিৰ্বাচন নহয়, অসমৰ ইতিহাসত এক যুগান্তকাৰী অধ্যায়ৰ সূচনা হ'ল। আমাৰ জনসাধাৰণৰ মুখত দেখা পোৱা আশা, গৌৰৱ আৰু আনন্দৰ মাজত এই নিৰ্বাচনৰ ফলাফল ইতিমধ্যে স্পষ্ট আৰু লগতে বাৰ্তাও নিশ্চিত আৰু স্পষ্ট: অসমে আত্মসমৰ্পণ নকৰে। অসমে যুঁজিব, অসমে জীয়াই থাকিব, অসমে আগুৱাই যাব।

# দৰঙত সন্ধিয়া ৫.০০

৬৪১ টা কেন্দ্ৰত ভোটগ্ৰহণ প্ৰক্ৰিয়া ইতিমধ্যেই সমাপ্ত হৈছে আৰু বাকী সমূহত এতিয়াও অব্যাহত আছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰৰ প্ৰাংগণত সন্ধিয়া পাঁচ বজাৰ আগতেই প্ৰৱেশ কৰা প্ৰতিগৰাকী ভোটাৰৰ ভোটদান কাৰ্য্যৰ সমাপ্তিৰ পাছতহে জিলাখনৰ চূড়ান্ত ভোটদানৰ তথ্য নিশ্চিত হ'ব। উল্লেখ্য যে জিলাখনৰ তিনিওটা সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা আছিল ৭২২১৮৫ গৰাকী।

# বেডমিন্টন এছিয়া

পুৰুষ ছিংগলছৰ ছেমিফাইনেল মেচখনত বিশ্বৰ ২৫সংখ্যক বাছনিৰ আয়ুসে ডিফেণ্ডিং চেম্পিয়ন, শীৰ্ষ বাছনি প্ৰাপ্ত তথা পেৰিছ অলিম্পিকৰ ৰূপৰ পদক জয়ী আৰু চল্লচ্চু চনৰ বিশ্ব চেম্পিয়ন থাইলেণ্ডৰ কুনালভুট ভিটিডছাৰ্নক কঠিন যুঁজৰ অন্তত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰাই নহয় এক ইতিহাসো ৰচনা কৰে। ৰ ঘণ্টা ৰপ্ত মিনিট ধৰি চলা কঠিন যুঁজৰ মেচখনত আয়ুসে থাইলেণ্ডৰ প্ৰতিদ্বন্দ্বীগৰাকীক ১০-২১, ২১-১৯, ২১-১৭ গেমত পৰাস্ত কৰে। মেচখনৰ প্ৰথমটো গেমত আয়ুসে আত্মসমৰ্পণ কৰে যদিও দুৰ্দান্ত প্ৰত্যাবৰ্তন কৰি পৰৱৰ্তী দুয়োটা গেম নিজৰ আয়ত্তত ৰাখি ফাইনেলত স্থান নিশ্চিত কৰে ভাৰতীয় শ্বাটলাৰগৰাকীয়ে। থাইলেণ্ডৰ তাৰকা শ্বাটলাৰগৰাকীৰ বিপক্ষে আয়ুসৰ এয়া আছিল দ্বিতীয় মুখামুখি। যোৱা বছৰ আগষ্ট মাহত আৰ্কটিক অ'পেনত প্ৰথমবাৰৰ বাবে দুয়োজনে পৰস্পৰৰ মুখামুখি হৈছিল যদিও মেচখনত আয়ুসে পোনপটীয়া গেমত পৰাজয় স্বীকাৰ কৰিছিল। আজি হ'বলগীয়া খিতাপ যুঁজৰ মেচখনত ভাৰতীয় শ্বাটলাৰগৰাকীয়ে দ্বিতীয় বাছনি প্ৰাপ্ত চীনৰ শ্বি ইউ কিৰে মুখামুখি হ'ব।

# ৰাজ্যৰ ভিতৰতে

স্থান লাভ কৰিম বুলি ভবা নাছিলো। মোৰ এই সফলতাৰ আঁৰত মোৰ আচাৰ্য-আচাৰ্যাৰ লগতে পিতৃ-মাতৃৰ অৰিহণা কম নহয়। মই স্কুল থকা দিনত নিতৌ ৫-৬ ঘণ্টা আৰু পৰীক্ষাৰ আগত দহ-বাৰ ঘণ্টা অধ্যয়ন কৰিছিলো। এক সাধাৰণ পৰিৱেশত ডাঙৰ দীঘল হোৱা জ্যোতিৰ্ময়ে দৰিদ্ৰতা তথা সীমিত সুবিধাৰ মাজতো কঠোৰ পৰিশ্ৰম আৰু অটল মনোবলে এই সফলতা লাভকৰিছে। মাত্ৰ দুটা কোঠা থকা এটি সাধাৰণ ঘৰতে বাস কৰি এখন সৰুপঢ়া টেবুল সাজি লৈ অধ্যয়নত মনোনিৱেশ কৰিছিল। প্ৰায় দুই কিলোমিটাৰ দূৰৰ স্কুললৈ সদায় চাইকেল চলাই অহা-যোৱা কৰিছিল। ভৱিষ্যতে চিকিৎসক হোৱাৰ লক্ষ্য ৰাখি জ্যোতিৰ্ময়ে পাঠশালাৰ এখন বেচৰকাৰী চিকিৎসালয়ত গাণনিক হিচাপে কৰ্মৰত পিতৃৰ পৰা অনুপ্ৰেৰণা লাভ কৰিছে। তেওঁৰ জ্যেষ্ঠ ভাতৃয়ে বৰ্তমান বি কম পাঠ্যক্ৰম অধ্যয়ন কৰি আছে। নিয়মিত পঢ়া-শুনাৰ লগতে গণিত আৰু ইংৰাজী বিষয়ত শিক্ষকসকলৰ পৰা অতিৰিক্ত সহায় লৈ আৰু ইউটিউবৰ দৰে ডিজিটেল মাধ্যম ব্যৱহাৰ কৰি তেওঁ নিজৰ ধাৰণাবোৰ অধিক স্পষ্ট কৰি তুলিছিল। তেওঁ নিজৰ সফলতাৰ বাবে অভিভাৱক আৰু শিক্ষকসকলক কৃতিত্ব প্ৰদান কৰি কয় যে ম'বাইল প্ৰযুক্তিৰ সঠিক ব্যৱহাৰে অধ্যয়ন ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব পাৰে। পঢ়াৰ বাহিৰেও তেওঁ ক্ৰিকেট খেল ভাল পায় আৰু ভাৰতীয় বলাৰ যশপ্ৰীত বুমৰাহক নিজৰ প্ৰিয় খেলুৱৈ। আনহাতে, দ্বিতীয় স্থানত বিশ্বনাথৰ অম্বিকাগিৰি ৰায় চৌধুৰী জাতীয় বিদ্যালয়ৰ আকাংক্ষা ভূঞা, যুটীয়াভাৱে তৃতীয় স্থানত উজলিল ডিব্ৰুগড়ৰ লিটিল ফ্লাৱাৰ এইচ এচ স্কুলৰ জিয়া ফাৰাহ ইছলাম আৰু নলবাৰীৰ লিটিল ফ্লাৱাৰ স্কুলৰ ছাত্ৰ সুৰজিত আখটাৰ।

# প্ৰাণৰ শিল্পীৰ হত্যাৰ

আদালতত সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে কেইবা কোটি টকা আত্মসাৎ কৰাৰ গুৰুতৰ অভিযোগ স্পষ্ট হয়। এই সন্দৰ্ভত সংবাদ মাধ্যমত লোক অধিবক্তা জিয়াউল কামাৰে সদৰী কৰে যে জুবিন গাৰ্গৰ খাৰঘুলিস্থিত বাসগৃহ নিৰ্মাণৰ ক্ষেত্ৰত সিদ্ধাৰ্থ শৰ্মাই বিভিন্ন অজুহাতত বৃহৎ পৰিমাণৰ ধন আত্মসাৎ কৰিছিল। জুবিনক জনোৱা হৈছিল যে ঘৰ নিৰ্মাণৰ বাবে এজন ঠিকাদাৰক ৭০ লাখ টকা দিয়া হৈছে। কিন্তু ব্যক্তিগৰাকীক বাস্তৱত মাত্ৰ ৩৫ লাখ টকাহে পৰিশোধ কৰা হৈছে। সিদ্ধাৰ্থ শৰ্মাই আত্মসাৎ কৰা ধনেৰে নিজৰ বান্ধৱীক উপহাৰ দিয়াৰ লগতে ব্যক্তিগত কামত খৰচ কৰিছিল। সিদ্ধাৰ্থ শৰ্মাই মাহে ৩০ হাজাৰ টকা তেওঁৰ বান্ধৱীৰ নামত এছআইপি বিনিয়োগ কৰাৰ লগতে জন্মদিনত এখন স্কুটী আৰু এটা সোণৰ আঙুঠি উপহাৰ দিছিল বুলিও সংবাদ মাধ্যমৰ আগত সদৰী কৰে লোক অধিবক্তাগৰাকীয়ে।

# কেৰালা-পুডুচেৰীত

এনডিএ আৰু কংগ্ৰেছৰ মাজত প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে। দুয়োখন ৰাজ্যৰ জনসাধাৰণে বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰত উৎসাহেৰে ভোটদান কৰা পৰিলক্ষিত হয়। বৃহস্পতিবাৰৰ দিনটোত বিপুলসংখ্যক ভোটদান হোৱাৰ খবৰ আহিছে দুয়োখন ৰাজ্যৰ পৰা। কেৰালাত ৭৮.০৩ শতাংশ ভোটদান হয় আৰু পুডুচেৰীত ৮৯.৮৭ শতাংশ ভোটদান হয়। আনহাতে দেশৰ কেইবাখনো ৰাজ্যৰ লগতে চুবুৰীয়া ৰাজ্য নাগালেণ্ডতো এখন বিধানসভা আসনৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হয়। নাগালেণ্ডৰ ক'ৰিডাং সমষ্টিৰ বাবে এই উপ-নিৰ্বাচন অনুষ্ঠিত হয়। মুঠ ছগৰাকী প্ৰাৰ্থীয়ে এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে। নিৰ্বাচনৰ পূৰ্বে সমষ্টিটোত কেইবাটাও হিংসাত্মক ঘটনা সংঘটিত হয় যদিও ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয়। সমষ্টিটোত মুঠ ৮২.২১ শতাংশ ভোটদান হয়।

# সফলতাৰে পৃথিৱীলৈ উভতিল

তাৰ ভিতৰৰ পৰা ধীৰে ধীৰে চাৰিওজন মহাকাশচাৰীক উদ্ধাৰ কৰি পাৰিলে অনা হয়। নাছাই এই চন্দ্ৰ অভিযানৰ নাম দিছিল আৰ্টেমিছ। এয়াই আছিল তেওঁলোকৰ দ্বিতীয় পৰ্যায়। ২০২৮ চনত এই অভিযানৰ তৃতীয় পৰ্যায়ত জোনবাইৰ বুকুলৈ পুনৰ মানুহ পঠিওৱাৰ পৰিকল্পনা কৰিছে মাৰ্কিন সংস্থাটোৱে। যোৱা ২ এপ্ৰিলৰ দিনা নিচেই পুৱাতে (ভাৰতীয় সময়) চন্দ্ৰলৈ উৰা মাৰিছিল নাছাৰ মহাকাশ যানখন। তাত আছিল কমাণ্ডাৰ ৰিড ৱাইজমেণ্ট (প্ৰাক্তন নৌসেনা পাইলট, ১৬৫ দিন মহাকাশত কটোৱাৰ অভিজ্ঞতাৰে পুষ্ট), পাইলট ভিক্টৰ গ্লভাৰ্ট (নাছাৰ ক্ৰু-১ অভিযানত অন্তৰ্ভুক্ত), অভিযান বিশেষজ্ঞ ক্ৰিষ্টিনা কচ (মহিলা হিচাপে আটাইতকৈ বেছি সময় স্পেচ ফ্লাইট চলোৱাৰ অভিজ্ঞতা সম্পন্ন) আৰু জেৰেমি হানচেন (কানাডাৰ মহাকাশচাৰী, প্ৰথমবাৰ মহাকাশলৈ)। প্ৰায় ১০ দিন পৃথিৱীৰ বাহিৰত কটাই চন্দ্ৰৰ ওচৰৰ পৰা পুনৰ তেওঁলোক উভতি আহে। আৰ্টেমিছ-২ৰ লক্ষ্য চন্দ্ৰৰ মাটিত ভৰি ৰখা নহয়। বৰং চন্দ্ৰৰ সন্মুখৰ পৰা ঘূৰি অহা। সকলো ঠিকে-ঠাকে থাকিলে ২০২৮ চনত অভিযানৰ তৃতীয় পৰ্যায়ত চন্দ্ৰৰ বুকুত নামিব মানুহ। সুদীৰ্ঘ ৫ দশকৰ পিছত চন্দ্ৰলৈ মানুহ পঠিয়াইছে নাছাই। ১৯৬৯ চনত আমেৰিকাৰ এই সংস্থাটো এপল' অভিযানত চন্দ্ৰৰ বুকুত প্ৰথমবাৰৰ বাবে পদাৰ্পণ কৰিছিল মানুহে। ১৯৭২ চনত সেই অভিযানৰ সামৰণি পৰে। ৫৩ বছৰৰ পিছত পুনৰ আৰ্টেমিছ অভিযানৰ হাত ধৰি চন্দ্ৰ অভিমুখে লক্ষ্য স্থিৰ কৰিছে আমেৰিকাই। ৪ মহাকাশচাৰীক লৈ নাছাৰ মহাকাশ যানখন ১১ লাখ ১৭ হাজাৰ ৫১৫ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰে। পৃথিৱীৰ দুটা কক্ষপথ পাৰ হৈ চন্দ্ৰৰ সন্মুখৰ পৰা ঘূৰি আহে মহাকাশচাৰীসকল। কেলিফ'ৰ্নিয়াৰ উপকূলত সূৰ্যাস্তৰ কেইঘণ্টামান পূৰ্বে তেওঁলোকৰ অৱতৰণৰ পোনপটীয়া সম্প্ৰচাৰ কৰে নাছাই।

# লুৰিণজ্যোতি গগৈৰ বাসগৃহত

অহা বুলি কোৱা আৰক্ষী দলটোৱে লুৰিণৰ গৃহটোৰ ভিতৰত প্ৰৱেশ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰাৰো অভিযোগ উঠিছে। জানিব পৰা অনুসৰি আৰক্ষীৰ বৃহৎ দলটোৱে লুৰিণৰ গৃহত প্ৰৱেশ কৰি শুৱনি কোঠাৰ পৰা ৰান্ধনি ঘৰত তালাচী চলায়। যদিও কাৰ্যতঃ আৰক্ষীৰ দলটোৱে কোনো সন্দেহজনক বা আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম নহ'ল। অসম জাতীয় পৰিষদৰ উপ-সভাপতি চিত্ৰৰঞ্জন বসুমতাৰীয়ে সাংবাদিকৰ আগত কয় যে আৰক্ষীয়ে তালাচী চলাবলৈ আহিছে, কিন্তু তালাচীৰ কোনো জাননী বা ৱাৰেণ্ট নাই। আনকি তালাচীৰ সময়ত কোনো দণ্ডাধীশ উপস্থিত নাছিল। অৰ্থাৎ আৰক্ষীৰ দলটোৱে কোনো নীতি নিয়ম নমনাকৈ, নিজ খেয়ালখুচি মতে এনেদৰেই তালাচী চলাবলৈ আহিছিল বুলি বসুমতাৰীয়ে দাবী কৰি পুনৰ কয় যে আমাৰ কৰ্মীৰ গাড়ী ভাঙি দিয়া হ'ল, কৰ্মীক মাৰি তেজ উলিয়াই দিলে। কিন্তু আকৌ আমাৰ ঘৰতহে আৰক্ষীয়ে তালাচী চলাবলৈ আহিছে। ইফালে লুৰিণৰ বাসগৃহত আৰক্ষীয়ে তালাচী চলাবলৈ যোৱাত উপস্থিত থকা দলীয় একাংশ কৰ্মীয়ে প্ৰতিবাদ কৰি উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। তালাচীৰ পাছত আৰক্ষীয়ে কোনো আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰিব নোৱাৰা আৰু সু-স্পষ্ট উত্তৰ দিব নোৱাৰি পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰত ওলাই যোৱাৰ পাছত আৰক্ষী বিষয়া অমৃত ৰঞ্জন বৰ্মনৰ (ডিএছপি) নেতৃত্বত অহা আৰক্ষীৰ দলটো আঁতৰি আহিবলৈ বাধ্য হয়। ইয়াৰ পাছতে এই ঘটনাৰ সবিশেষ সংবাদ মাধ্যমক জনাই সংবাদ মেল সম্বোধন কৰে অজাপৰ সাধাৰণ সম্পাদক চিত্ৰৰঞ্জন বসুমতাৰী আৰু উদ্দীপজ্যোতি গগৈয়ে। সংবাদ মেলত ২৪ ঘণ্টা সময় বান্ধি অজাপই ডি এছ পি অমৃত ৰঞ্জন বৰ্মনে কৰা এনে ব্যৱহাৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈৰ ওপৰত অমৃত ৰঞ্জন বৰ্মনৰ গোপন অভিসন্ধি থকাৰ অভিযোগ কৰে সংবাদ মেলত। উল্লেখ্য যে বাসগৃহত থকা দলীয় বিভিন্ন নথিপত্ৰ অনিষ্ট কৰা বুলি অভিযোগ উত্থাপন কৰে। আনকি কালিও অমৃত ৰঞ্জন বৰ্মনে লুৰিণজ্যোতিৰ গৃহটোত কোনো ধৰণৰ নীতি-নিয়ম নমনাকৈ প্ৰৱেশ কৰাৰ অভিযোগ উত্থাপন কৰে।

# ডিব্ৰুগড়ত অগ্ৰগামী মহিলা

স্থান নাপাইছিল। সেইবাবে অধিকাংশ বুৰঞ্জীত জয়মতীৰ আত্মত্যাগৰ ঘটনাৰ উল্লেখ নাই। সেইবাবে এসময়ত বহুতে জয়মতীক কাল্পনিক চৰিত্ৰ বুলি কোৱাৰ প্ৰয়াস কৰিছিল । তেওঁ জ্যোতিপ্ৰসাদৰ "জয়মতীৰ আত্মাৰ উক্তি" কবিতাৰ উদ্ধৃতি দি কয় যে জয়মতী অতীতৰ নহয় ভৱিষ্যতৰ নহয়। তেওঁ "চিৰ নিত্য" তেওঁৰ চাৰিত্ৰিক দৃঢ়তা আৰু দেশপ্ৰেম আমাৰ বাবে চিৰকাল গ্ৰহণীয়। অনুষ্ঠানৰ মুখ্য অতিথি বিশিষ্ট হিচাপে সাহিত্যিক আৰু কেবাখনো বুৰঞ্জী মূলক পুথিৰ লেখক দুৰ্লভ চেতিয়াই তাই ভাষাত ৰচিত একাধিক বুৰঞ্জীত জয়মতীৰ উল্লেখ থকাৰ কথা সদৰী কৰি জয়মতীৰ আত্মত্যাগৰ সমগ্ৰ ঘটনাৰ যুক্তিসংগত বিশ্লেষণ আগবঢ়াই ৰাজশক্তিৰ লগত সম্পূৰ্ণ ৰূপে অসহযোগিতা কৰি মৃত্যু বৰণ কৰা সমগ্ৰ পৃথিৱীৰে তিনিগৰাকী নাৰীৰ ভিতৰত জয়মতী এগৰাকী বুলি মত প্ৰকাশ কৰে। জয়মতীৰ কাহিনীৰ সৈতে জড়িত কেতবোৰ বিসংগতি মূলক ঘটনাৰো বিশ্লেষণ কৰি তেওঁ সেইবোৰৰ প্ৰকৃত সত্য নিৰূপণ কৰাৰ প্ৰয়াস কৰে। অগ্ৰগামী মহিলা সন্মিলনৰ কাৰ্য্যকৰী সভানেত্ৰী ৰেণু ফুকনেও জয়মতীৰ পিতৃ লাইথেপেনা বৰগোহাঁইৰ বৰ্তমানত জয়মতীয়ে কেনেকৈ নিকাৰ ভুগিব লগা হ'ল তাৰ ব্যাখ্যা আগবঢ়াই কয় সেইসময়ত বৰগোহাঁইক ছলনা কৰি গুৱাহাটীলৈ পঠাই দিয়া হৈছিল বুলি কোনো কোনো বুৰঞ্জীত উল্লেখ আছে।সমজুৱাৰ ফালৰ পৰা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী চন্দ্ৰ লেখা চেতিয়াই ৰণং টেকেলা চিৰিং গাঁও নামঘৰত জয়মতীৰ স্মৃতি দিৱস উপলক্ষ্যে এখন গাম্ভীৰ্য্যপূৰ্ণ সফল সভা অনুষ্ঠিত কৰাৰ বাবে অগ্ৰগামী মহিলা সন্মিলনৰ বিষয়ববীয়া সকলক ধন্যবাদ আৰু কৃতজ্ঞতা জনায়। বিজয় লক্ষ্মী শৰ্মা গোস্বামীৰ কণ্ঠৰ দীপ প্ৰজ্বলন মন্ত্ৰ, নীলিমা বৰদলৈ, মীৰা শৰ্মা। নিভা কোঁৱৰ আৰু দীপ্তি কাকতিয়ে পৰিৱেশন কৰা আৰাধনা দত্তই ৰচনা কৰা জয়মতীৰ মালিতা, ড° ফৰিদা আহমদ আৰু দীপামনি বুঢ়াগোহাঁইৰ স্বৰচিত জয়মতী বিষয়ক কবিতা তুলসী দত্তৰ কণ্ঠ ৰ ৰাভা সংগীত আৰু ৰূপালী ভট্টাচাৰ্যই জয়মতীৰ চৰিত্ৰৰ ওপৰত কিছু দৃশ্যাংশ কৰি অনুষ্ঠানটি প্ৰাণৱন্ত কৰি তোলে। অগ্ৰগামী মহিলা সন্মিলনৰ সম্পাদিকা জোনালী খাউন্দে উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে আঁত ধৰা সভাখনত অগ্ৰগামীয়ে তিনিটা বছৰ পূৰ্ণ কৰাৰ বাবে কাৰ্য্যনিৰ্বাহকৰ উপস্থিত বিষয়ববীয়া ড° ফৰিদা আহমদ, ড° দীপাঞ্জনা দত্ত দাস, কুমকুম দত্ত, নীলিমা বৰদলৈ, মীৰা শৰ্মা লগতে জোনালী খাউন্দক ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। উপ-সভানেত্ৰী কুমকুম দত্তই শলাগ জ্ঞাপন কৰে।

# ENGLISH NEWS SECTION

## PBKS beat SRH by six wickets



RB News: Priyansh Arya, Prabhsimran Singh and skipper Shreyas Iyer slammed fine fifties as Punjab Kings defeated Sunrisers Hyderabad by six wickets in their IPL 2026 match on Saturday.A rollicking 74 off 28 balls by Abhishek Sharma carried SRH to 219 for six but it wasn't enough as PBKS overhauled the target with seven balls to spare. Priyansh (57) and Prabhsimran (51) added 99 runs for the opening wicket before Shivang Kumar (3/33) dismissed both of them. Iyer then completed the task with a 33-ball 69 as PBKS made 223 for 4.

## RR beat RCB by 6 wickets



RB News: Rajasthan Royals defeated Royal Challengers Bengaluru by six wickets in a high-scoring IPL 2026 encounter, successfully chasing a daunting target. Sent in to bat, RCB rode on a fighting half-century by skipper Rajat Patidar (63) to post 201 for 8. Virat Kohli (32), Romario Shepherd (22) and Venkatesh Iyer (29) also chipped in with useful contributions. In reply, Sooryavanshi (78 off 26 balls) and Dhruv Jurel (81 not out off 43 balls) shared a 37-ball 108-run partnership for the second wicket to set the platform. Krunal Pandya (2/30) tried to bring them back with back-to-back wickets.

## Ayush beats Christie to reach Badminton Asia Championships semis



RB News: India's Ayush Shetty defeated world number four Jonatan Christie to enter the men's singles semi-finals of the Badminton Asia Championships 2026 on Friday. The 20-year-old, who is ranked 25th, beat Indonesia's Christie 23-21, 21-17. Shetty, who is the reigning US Open Super 300 champion, had beaten 20th-ranked Chi Yu Jen of Chinese Taipei in the round of 16 on Thursday.

## LSG beat KKR by three wickets




RB News: Lucknow Super Giants (LSG) defeated Kolkata Knight Riders (KKR) on the last ball in their Indian Premier League (IPL) 2026 match in Kolkata on Thursday. LSG scored 30 runs off the last two overs to chase down a target of 182. LSG's uncapped player Mukul Choudhary scored an unbeaten 54 off 27 balls to help his team win.

## CSK beat DC by 23 runs



RB News: Chennai Super Kings(CSK) defeated Delhi Capitals(DC) by 23 runs to register their first victory of IPL 2026 on Saturday. Having lost their first three matches of the season, CSK posted a formidable 212 for 6 in 20 overs after being invited to bat at the MA Chidambaram Stadium, Chennai. Sanju Samson smashed a 56-ball 115 not out, while Ayush Mhatre scored 59 off 36. Samson struck four sixes and 15 fours during his blistering knock, stitching key partnerships - 62 with Ruturaj Gaikwad (15), 113 with Mhatre, and an unbroken 37 with Shivam Dube (20). In the chase, Delhi were bowled out for 189, with Jamie Overton returning figures of 4 for 18.

## LSG sign George Linde as injured Hasaranga's replacementt



RB News: LSG have signed South Africa all-rounder George Linde as Wanindu Hasaranga's replacement. Hasaranga, who was signed by LSG for 2 crore at IPL 2026 auction, has been ruled out of the tournament due to a hamstring injury. Linde has taken 218 wickets and 2,746 runs in 250 T20s. He will join LSG at his base price of 1 crore.

## Sunil Narine Becomes First Overseas Player To Take 200 T20 Wickets In India



RB News: KKR spinner Sunil Narine has become the first overseas player with 200 wickets in T20s in India. He achieved the feat during KKR's match against LSG at Eden Gardens in Kolkata on Thursday. Sunil Narine finished with figures of 1/13 in his four overs against LSG. He picked the wicket of Mohammed Shami in his spell. This was Narine's 200th wicket on Indian soil in T20s. He becomes the first overseas bowler in history to take 200 wickets in India in 183 matches with an average of 23.21 and an economy rate of 6.62.

## GT defeated DC by 1 run



RB News: Gujarat Titans secured their first win of the season following a roller coaster last over as a rampaging David Miller's momentary indiscretion cost Delhi Capitals dearly in an IPL match here on Wednesday. It is GT's narrowest win in IPL history. GT put up a total of 210/4 and restricted DC to 209/8 in their 20 overs. GT ran Kuldeep Yadav out on the last ball when DC needed two runs to win.

# বহাগৰ সুবাস



দৰ্শনা দত্ত ,দেৰগাঁও,গোলাঘাট

বহাগ আহিল আকৌ
প্ৰকৃতি সেউজী কৰি,
প্ৰভাতত কুলিৰ মাতত
যায় প্ৰাণ ভৰি।
লঠঙা গছৰ ডালত
কুঁহিপাতৰ হাঁহি,
ৰঙীন ফুলেৰে সজ্জিত
প্ৰকৃতি ৰাণী।
তগৰ, কপৌ, মদাৰে
সুবাস বিলায়,
ৰঙালীৰ উলাহে অসম জিলিকায়।
নাচনীৰ তাঁতশালত চেনেহৰ বিহুৱান,
ঢুলীয়াক পিন্ধাবলৈ আছে বাট চায়।
আইৰ আখলত দৈ, চিৰা, পিঠা,
হুঁচৰি জুৰিব সবে জোনাকী সন্ধিয়া।
মলয়া বতাহে আহি বিহুগীত গায়,
ঢোল, পেঁপা, গগনাই আকাশ কঁপায়।
নেঘেৰী খোপাত জিলিকিছে আদৰৰ কপৌফুল,
নাচনীৰ দুয়োহাতত জেতুকাৰে বোল।
অসমী আইৰ মুখত হাঁহি জিলিকি আছে,
হেঁপাহৰ বিহু ৰঙালী আকৌ আহিলে।

# চিঠিৰ ভাষা আৰু

চিঠিৰ সাহিত্যিক মূল্যৰ কথা ক'বলৈ গ'লে, ইয়াৰ মাজত সৃষ্টিশীলতাৰ এক বিশেষ ৰূপ দেখা যায়। এজন লেখকে নিজৰ চিঠিত যি ধৰণে অনুভৱ প্ৰকাশ কৰে, সেয়া প্ৰায়ে স্বতঃস্ফূৰ্ত আৰু অযান্ত্ৰিক হয়। এই স্বতঃস্ফূৰ্ততাই চিঠিক এক প্ৰাকৃতিক আৰু জীৱন্ত ৰূপ দিয়ে, য'ত কোনো কৃত্ৰিমতা নাথাকে। এইবোৰ গুণৰ বাবে বহুতো চিঠি পাছত সাহিত্যৰ এক মূল্যবান সম্পদ হিচাপে গণ্য হয়।

ডিজিটেল যুগত যদিও চিঠিৰ পৰম্পৰা কিছু ক্ষীণ হৈছে, তথাপিও ইয়াৰ সাহিত্যিক সৌন্দৰ্য আজিও অক্ষুণ্ণ। বৰ্তমান সময়তো বহু লেখকে ই-মেইল বা অনলাইন মাধ্যমৰ জৰিয়তে চিঠিৰ ধাৰণাক আগুৱাই লৈ গৈছে। যদিও মাধ্যম সলনি হৈছে, কিন্তু অনুভৱৰ গভীৰতা আৰু ভাষাৰ সৌন্দৰ্য যদি অক্ষুণ্ণ থাকে, তেন্তে চিঠিৰ মূল সত্তাও জীয়াই থাকিব। চিঠিৰ ভাষা হৈছে হৃদয়ৰ ভাষা, আৰু ইয়াৰ সাহিত্য হৈছে অনুভৱৰ সাহিত্য। ইয়াত শব্দৰ সৈতে হৃদয়ৰ সংযোগ থাকে, যিয়ে মানুহৰ মনত এক গভীৰ প্ৰভাৱ পেলায়। চিঠি আমাৰ জীৱনৰ সৰু সৰু অনুভৱৰ সংগ্ৰহ, যি কেতিয়াবা সময়ৰ সোঁতে অমূল্য স্মৃতি হৈ পৰে।

এইদৰে, চিঠিৰ ভাষা আৰু সাহিত্যৰ সৌন্দৰ্য এক অবিনাশী ধন, যি যুগে যুগে মানুহৰ অনুভৱ, চিন্তা আৰু জীৱনৰ কাহিনী বহন কৰি আহিছে। এই সৌন্দৰ্যক জীয়াই ৰখা আমাৰ সকলোৰে দায়িত্ব, কাৰণ ইয়াতেই লুকাই আছে মানুহৰ হৃদয়ৰ আটাইতকৈ সঁচা প্ৰকাশ।

# ব'হাগ বিহুঃ উৎসৱৰ মাজত

গীতবোৰ কেৱল বিনোদন নহয়; ই মানুহৰ হৃদয়ৰ ভাষা। প্ৰেমৰ এই সহজ আৰু স্বাভাৱিক প্ৰকাশে দেখুৱায় যে জীৱনৰ সৌন্দৰ্য অনুভৱ আৰু অনুভূতিৰ মাজতেই নিহিত।

তাৰোপৰি, ব'হাগ বিহুৱে শিকায় সৰল জীৱনৰ মূল্য। আধুনিক জীৱনৰ দৌৰত মানুহে প্ৰায়ে সুখৰ সঁচা অৰ্থ পাহৰি যায়। কিন্তু ব'হাগ বিহুৰ সময়ত গাঁওৰ পৰিৱেশ, ঘৰৰ বনোৱা পিঠা-পনা, পৰিয়ালৰ সৈতে কটোৱা সময়-এই সকলোবোৰে দেখুৱায় যে সুখ বস্তুগত সম্পদত নহয়, বৰঞ্চ সৰল আৰু আন্তৰিক মুহূৰ্তবোৰতেই থাকে।

ব'হাগ বিহু হৈছে আত্ম-চিন্তা আৰু নবীকৰণৰ এক সুযোগ। এই সময়ত মানুহে নিজৰ জীৱনটো পুনৰ বিবেচনা কৰিব পাৰে-কি হেৰুৱালে, কি লাভ কৰিলে, আৰু আগলৈ কেনেকৈ আগবাঢ়িব লাগে। ই যেন এক আত্ম-প্ৰশ্নৰ সময়, য'ত মানুহে নিজৰ অস্তিত্ব আৰু জীৱনৰ উদ্দেশ্য বিচাৰি পায়।

ব'হাগ বিহু কেৱল আনন্দ-উল্লাসৰ উৎসৱ নহয়; ই জীৱনৰ গভীৰ দৰ্শন বহন কৰা এক মহান সাংস্কৃতিক পৰম্পৰা। ইয়াত নতুন আৰম্ভণি, প্ৰকৃতিৰ সৈতে সম্পৰ্ক, সমাজৰ একতা, প্ৰেমৰ প্ৰকাশ আৰু সৰল জীৱনৰ মূল্য-এই সকলোবোৰ একেলগে মিলি জীৱনৰ সঁচা অৰ্থ বুজাই। সেয়েহে, ব'হাগ বিহু উদযাপন কৰাটো মানে কেৱল উৎসৱ উপভোগ কৰা নহয়, বৰঞ্চ জীৱনক নতুন দৃষ্টিৰে চোৱাৰ এক সুযোগ লাভ কৰা।

ব'হাগ বিহুৰ গভীৰতালৈ যদি আমি আৰু অলপ সোমাওঁ, তেতিয়া বুজা যায় যে এই উৎসৱে কেৱল বাহ্যিক আনন্দেই নিদিয়ে, ই মানুহৰ অন্তৰ্জগতত এক বিশেষ পৰিৱৰ্তন আনে। জীৱনৰ প্ৰতিটো দিশ-আত্মিক, সামাজিক, মানসিক-এই সকলোবোৰক ই স্পৰ্শ কৰে।

ব'হাগ বিহুৰ মাজত লুকাই আছে সময়ৰ প্ৰবাহ বুজাৰ দৰ্শন। ব'হাগ মানেই বসন্ত, আৰু বসন্ত মানেই পুনৰ্জন্ম। গছ-গছনিয়ে পুৰণি পাত পেলাই নতুন কুঁহি মেলে, যেনেকৈ মানুহেও পুৰণি কষ্ট, ব্যৰ্থতা আৰু ভুলবোৰ এৰি নতুনভাৱে আগবাঢ়িব লাগে। এই দৰ্শনে আমাক শিকায় যে পৰিৱৰ্তন জীৱনৰ এক স্বাভাৱিক অংশ। যি মানুহে এই পৰিৱৰ্তনক স্বীকাৰ কৰে, সিয়েই জীৱনত আগবাঢ়ি যায়।

তাৰোপৰি, ব'হাগ বিহুৱে শিকায় কৃতজ্ঞতাৰ অনুভৱ। কৃষিজীৱী সমাজত এই সময়ত মাটিৰ ওপৰত নিৰ্ভৰ কৰি মানুহে জীৱিকা চলায়। সেয়েহে মাটিক, গৰু, আৰু প্ৰকৃতিক ধন্যবাদ জনোৱাৰ এটা গভীৰ অৰ্থ আছে। গৰু বিহুৰ আচাৰবোৰ কেৱল পৰম্পৰা নহয়, ই এক কৃতজ্ঞতাৰ প্ৰকাশ। আজিৰ যুগত যেতিয়া মানুহে প্ৰায়ে নিজৰ সুবিধাবোৰ স্বাভাৱিক বুলি ধৰে, তেতিয়া ব'হাগ বিহুৱে আমাক স্মৰণ কৰায়-যি পাইছোঁ, তাৰ বাবে কৃতজ্ঞ হোৱা অতি প্ৰয়োজনীয়।

ইয়াৰ লগতে, এই উৎসৱে স্বাধীনতা আৰু আনন্দৰ দৰ্শনো আগবঢ়ায়। বিহু নৃত্য আৰু গীতত যি স্বতঃস্ফূৰ্ততা দেখা যায়, সেয়া মানুহৰ অন্তৰৰ মুক্ত প্ৰকাশ। এইবোৰত কোনো কঠোৰ নিয়ম নাই-ই সম্পূৰ্ণ হৃদয়ৰ অনুভৱৰ ওপৰত নিৰ্ভৰ কৰে। জীৱনত কেতিয়াবা নিয়ম-শৃংখলাৰ মাজতো নিজৰ সৃষ্টিশীলতা আৰু আনন্দক জীয়াই ৰাখিব লাগে-এইটোও ব'হাগ বিহুৱে শিকায়।

আন এক গুৰুত্বপূৰ্ণ দিশ হ'ল পৰিচয় আৰু সংস্কৃতিৰ সুৰক্ষা। বিশ্বায়নৰ যুগত বহুতো স্থানীয় সংস্কৃতি হেৰাই যাবলৈ ধৰিছে। কিন্তু ব'হাগ বিহু আজিও অসমীয়াৰ পৰিচয়ক অটুটভাৱে ৰাখিছে। গামোচা, মেখেলা-চাদৰ, ঢোল-পেঁপাৰ সুৰ-এই সকলোবোৰে এটা জাতিৰ আত্মাক জীয়াই ৰাখে। এইটো আমাক বুজায় যে নিজৰ মূলৰ সৈতে সংযোগ নাথাকিলে মানুহ সম্পূৰ্ণ নহয়।

তাৰোপৰি, ব'হাগ বিহুৰ মাজত দেখা যায় সহনশীলতা আৰু ধৈৰ্যৰ শিক্ষা। কৃষকৰ জীৱনত সকলো বস্তু সময়ৰ ওপৰত নিৰ্ভৰ কৰে- বৰষুণ, মাটিৰ অৱস্থা, প্ৰকৃতিৰ অনুকূলতা। সেয়েহে তেওঁলোকে অপেক্ষা কৰিব জানে। এই অপেক্ষাৰ মাজতেই আছে ধৈৰ্য। আজিৰ দ্ৰুত গতিৰ জীৱনত এই শিক্ষা অতি মূল্যবান।

আগলৈ..

# সোঁৱৰণী



মীৰা কোঁৱৰ

বতাহে উৰুৱাই আনিছে
সোঁৱৰণি নামৰ সৰাপাত
একাঁঠু কৰি থৈছে আগচোতাল
কিবা এটা হৈছে মোৰ
সৰাপাতবোৰ মাজত সোমাই
খেপিয়াই খেপিয়াই চাইছো
তাতে কোনোবাখিলাত আছে নেকি
কেতেকীপহীয়া ৰ'দ বোৰ
মোৰ বুকুত মেঘৰ বৰণ শোক
কান্দিবলৈ মন গৈছে এবাৰ হুকহুককৈ
ক'ত পাম এতিয়া
তোমাৰ ওঁঠৰ সেলেঙীলগা
মৰমবোৰ।

ৰঙিলী বাৰ্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286